
Content includes AI-generated material

## তিব্বতী ধৰ্মগুৰু দালাই লামাক সন্মান



বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, APRIL 01, 2025 ■ মঙলবাৰ, ১৮ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৯৪ Guwahati, Assam ।। মূল্যঃ এটকা


# যাঠী-জোং লৈ মাটি দখল অভিযান জি বিদাই বাহিনীৰ!

ই-সংবাদ, ৩১ মাৰ্চঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে বিটিআৰত শান্তি অহা বুলি দাবী কৰিলেও বিটিআৰত আজিও যে ভয়-ভাবুকি দিয়াৰ ঘটনা সংঘটিত হৈছে সেই কথা পুনৰ প্ৰমাণ পোৱা গৈছে। বিটিআৰত একালৰ দুৰ্ধৰ্ষ বিদ্ৰোহীয়ে ভূমি দখল কৰি সন্ত্ৰাস চলোৱাৰ গুৰুতৰ



অভিযোগ উত্থাপন হোৱাৰ লগতে ভয়-ভাবুকি দিয়াৰ ঘটনা সংঘটিত হৈ অহাৰ অভিযোগ উঠিছে। প্ৰাক্তন এনডিএফবি নেতা জি বিদাইৰ বিৰুদ্ধে শেষাংশ ৫ পৃষ্ঠাত

## 'পাকিস্তান যোৱা মানেই দেশদ্ৰোহী'



ই-সংবাদ, ৩১ মাৰ্চঃ আজি পুনৰবাৰ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ ৪ পৃষ্ঠাত

## হিমন্ত বিশ্ব এগৰাকী হৃদয়হীন মুখ্যমন্ত্ৰীঃ কংগ্ৰেছ

ই-সংবাদ, ৩১ মাৰ্চঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পাহৰি গৈছে যে তেওঁ ২ পৃষ্ঠাত

## বিশ্বনাথক উপহাৰ মুখ্যমন্ত্ৰীৰ

ই-সংবাদ, ৩১ মাৰ্চঃ আজি দিনজোৰা বিশেষ কাৰ্যসূচীৰে বিশ্বনাথ জিলা ৫ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীৰ এফবি লাইভ

## আজিৰে পৰা ১ টকা হ্ৰাস পাব বিদ্যুতৰ মাচুল



ই-সংবাদ, ৩১ মাৰ্চঃ আজি নিশা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ফেচবুক ৩ পৃষ্ঠাত

## এপেক্স বেংক দুৰ্নীতিৰ প্ৰশ্ন কৰিলেই সাম্প্ৰদায়িক উত্তৰ হিমন্ত বিশ্বৰ!

# মহবুবুল-দিলোৱাৰৰ দৰে মানুহক 'খতম' কৰিব মুখ্যমন্ত্ৰীয়ে!

### দিলোৱাৰ হুছেইনে যি কয় একাংশই সেয়াই মানি লয় বুলি মন্তব্য

ই-সংবাদ, ৩১ মাৰ্চঃ অসম কো-অপাৰেটিভ এপেক্স বেংকত সংঘটিত বিয়াগোম দুৰ্নীতিৰ কথা সুধিলেই এতিয়া খঙত বিতং তৃতীয় পৃষ্ঠাত

## ঈদৰ দিনটোতে সংখ্যালঘুক টাৰ্গেট মুখ্যমন্ত্ৰী হিমন্তৰ



মহানগৰীৰ আমবাৰীস্থিত বুঢ়া মছজিদত ঈদৰ শুভেচ্ছা গৌৰৱ গগৈৰ

## চাইবাৰ অপৰাধ হ্ৰাস কৰিবলৈ জাৰি কঠোৰ নিয়ম

# আজিৰে পৰা সলনি হ'ব ইউপিআই, বেংকিং ব্যৱস্থা

নতুন দিল্লী, ৩১ মাৰ্চঃ ১ এপ্ৰিলৰ পৰা আৰম্ভ হ'ব নতুন বিত্তীয় বৰ্ষ ২০২৫-২৬। আৰু এই নতুন বিত্তীয় শেষাংশ ৪ পৃষ্ঠাত




## মাধমাৰ! আজিৰে পৰা বৃদ্ধি পালে ৯৯ বিধ ঔষধৰ দাম

নতুন দিল্লী, ৩১ মাৰ্চঃ সংক্ৰমণ, ডায়েবেটিছ, হৃদৰোগকে ধৰি কেইবাটাও গুৰুতৰ ৰোগৰ চিকিৎসাৰ বাবে ব্যৱহাৰ কৰা ৯০০ৰো অধিক অত্যাৱশ্যকীয় ঔষধৰ মূল্য আজিৰ পৰা বৃদ্ধি শেষাংশ ২ পৃষ্ঠাত

## ৰাজ্যজুৰি পালন ছাত্ৰদিৱস

# নিৰ্মাণ হ'ব বড়োফাৰ জীৱনক লৈ তথ্যচিত্ৰ!

ই-সংবাদ, কোকৰাঝাৰ, ৩১ মাৰ্চঃ বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৬৯ তম জন্মদিন। আজিৰ দিনটো অৰ্থাৎ ৩১ মাৰ্চৰ দিনটো সমগ্ৰ ৰাজ্যতে ছাত্ৰ দিৱস ২ পৃষ্ঠাত চাওক

## 'ভাৰতত বাস কৰা দুই-তৃতীয়াংশই হিন্দু ৰাষ্ট্ৰ নিৰ্বিচাৰে'

নতুন দিল্লী, ৩১ মাৰ্চঃ বিতৰ্কিত কংগ্ৰেছ নেতা মণিশংকৰ আয়াৰৰ এটা পোষ্টে পুনৰ এবাৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে দেশৰ ৰাজনীতিত। কংগ্ৰেছ ৫ পৃষ্ঠাত চাওক

# ৰাজ্যজুৰি উদযাপন পৱিত্ৰ ঈদ-উল ফিটৰ

ই-সংবাদ, ৩১ মাৰ্চঃ গুৱাহাটীৰ মাছখোৱা ঈদগাহ ময়দান, গাড়ীগাঁও ঈদগাহ ময়দানৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসমৰ কেইবালাখ



ইছলামধৰ্মীয়ে ঈদ-উল ফিতৰৰ নামাজ আদায় কৰে। পুৱা ৭ বজাৰ পিছতে মাছখোৱা ঈদগাহ ময়দানত ঈদ-উল ফিতৰৰ ৪ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাধমাৰ! আজিৰ পৰা বৃদ্ধি পালে ৯৯ বিধ

পাইছে। চৰকাৰৰ ৰাষ্ট্ৰীয় ঔষধ মূল্য নিৰ্ধাৰণ কৰ্তৃপক্ষই কয় যে পাইকাৰী মূল্য সূচকাংকৰ ভিত্তিত ১.৭৪ শতাংশ পৰ্যন্ত মূল্য বৃদ্ধি পাইছে। ঔষধৰ মূল্য বৃদ্ধিৰ ফলত সাধাৰণ ৰাইজৰ চিকিৎসা ব্যয় বৃদ্ধি পাব বুলি আশংকা কৰা হৈছে। এনপিপিএৰ নিৰ্দেশনা অনুসৰি ২০২৪ কেলেণ্ডাৰ বৰ্ষত পাইকাৰী মূল্য সূচকাংক ১.৭৪ শতাংশ পৰিৱৰ্তন হৈছে, যাৰ ভিত্তিত নিৰ্মাতাসকলে নিৰ্ধাৰিত ঔষধৰ সৰ্বোচ্চ খুচুৰা মূল্য (এমআৰপি) বৃদ্ধি কৰিবলৈ স্বাধীন। চৰকাৰী অনুমতি অবিহনে এই মূল্যবৃদ্ধি কাৰ্যকৰী হ'ব। ঔষধৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত ডব্লিউপিআইৰ পৰিৱৰ্তনৰ ওপৰত নিৰ্ভৰ কৰি প্ৰতি বছৰে নতুন নতুন মূল্য নিৰ্ধাৰণ কৰা হয়, যিটো এইবাৰো অনুসৰণ কৰা হৈছে। এই মূল্যবৃদ্ধিয়ে বহুলভাৱে ব্যৱহৃত কেইবাবিধো এন্টিবায়টিক আৰু স্পৰ্শকাতৰ ৰোগৰ ঔষধৰ মূল্য বৃদ্ধি কৰিব। ২৫০ মিলিগ্ৰাম আৰু ৫০০ মিলিগ্ৰাম এজিথ্ৰ'মাইচিনৰ প্ৰতিটো টেবলেটৰ মূল্য ক্ৰমে ১১.৮৭ আৰু ২৩.৯৮ টকালৈ বৃদ্ধি পাইছে। এমোক্সিচিলিন আৰু ক্লেভুলেনিক এচিডযুক্ত এন্টিবেক্টেৰিয়েল চিৰাপৰ মূল্য প্ৰতি মিলিলিটাৰত ২.০৯ টকালৈ হ্ৰাস কৰা হৈছে। ২০০ মিলিগ্ৰাম আৰু ৪০০ মিলিগ্ৰাম টেবলেট এচিক্ল'ভিৰৰ মূল্য ৭.৭৪ টকা আৰু ১৩.৯০ টকালৈ বৃদ্ধি পাইছে। ইয়াৰ উপৰিও বিষনাশক ডাইক্ল'ফেনাকৰ প্ৰতিটো টেবলেটৰ মূল্য ২.০৯ টকা নিৰ্ধাৰণ কৰাৰ বিপৰীতে ইবুপ্ৰ'ফেন ২০০ মিলিগ্ৰাম আৰু ৪০০ মিলিগ্ৰামৰ মূল্য ক্ৰমে ০.৭২ আৰু ১.২২ টকা বৃদ্ধি পাইছে। ডায়েবেটিছ ৰোগীৰ বাবে গুৰুত্বপূৰ্ণ ঔষধ ডাপাগ্লিফ্ল'জিন, মেটফৰ্মিন হাইড্ৰক্লৰাইড আৰু গ্লিমেপিৰাইড যুক্ত টেবলেটৰ মূল্য প্ৰতি টেবলেটত ১২.৭৪ টকা নিৰ্ধাৰণ কৰা হৈছে। তদুপৰি হৃদৰোগ ৰোগীৰ বাবে ব্যৱহাৰ কৰা ষ্টেন্টৰ দামও বৃদ্ধি পাইছে। নতুন মূল্য অনুসৰি সাধাৰণ মেটেলিক ষ্টেন্টৰ মূল্য ১০,৬৯২.৬৯ টকালৈ বৃদ্ধি পাইছে, আৰু ড্ৰাগ এলুটিং ষ্টেন্টৰ মূল্য ৩৮,৯৩৩.১৪ টকা নিৰ্ধাৰণ কৰা হৈছে। ২০২৩ চনৰ তুলনাত উৎপাদক আৰু আমদানিকাৰকসকলে ১.৭৪ শতাংশ পৰ্যন্ত মূল্য বৃদ্ধি কৰিব পাৰিব। চৰকাৰ নিয়ন্ত্ৰণত থকা ৰাষ্ট্ৰীয় জৰুৰীকালীন ঔষধ তালিকাত থকা প্ৰায় ১০০০ ঔষধৰ মূল্য বৃদ্ধিৰ বাবে এনপিপিএয়ে অনুমোদন জনাইছে। এই তালিকাত এনাস্থেচিয়া, এন্টি এলাৰ্জী, স্নায়ুজনিত আৰু হৃদৰোগৰ ঔষধৰ লগতে কাণ, নাক আৰু ডিঙিৰ ঔষধো অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ উপৰিও বহুলভাৱে ব্যৱহৃত পেৰাচিটামল, এজিথ্ৰ'মাইচিন, ৰক্তহীনতাৰ ঔষধ, বিভিন্ন ভিটামিন আদিৰ দামও সলনি হৈছে। ঔষধৰ এই বৃদ্ধিৰ বাবে সাধাৰণ জনতাৰ উদ্বিগ্নতা বাঢ়িছে। বিশেষজ্ঞসকলৰ মতে চিকিৎসা ব্যয় বৃদ্ধিৰ ফলত নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ ওপৰত হেঁচা বৃদ্ধি পাব। কিন্তু উৎপাদকসকলে দাবী কৰে যে উৎপাদন ব্যয় বৃদ্ধিৰ বাবেই এই মূল্যবৃদ্ধিৰ প্ৰয়োজন হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বিশ্ব এগৰাকী হৃদয়হীন মুখ্যমন্ত্ৰীঃ কংগ্ৰেছ

সাংবিধানিক পদত অধিষ্ঠিত অসমৰ সকলো নাগৰিকৰ এজন মুখ্যমন্ত্ৰী। কাৰোবাক খতম কৰিবলৈ তেওঁ মুখ্যমন্ত্ৰী হৈছে নেকি? এই প্ৰশ্ন অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক ৰামান্না বৰুৱাৰ। এক বিবৃতিত বৰুৱাই কয়, আমি দীৰ্ঘদিন ধৰি ৰাজনীতি কৰি আহিছোঁ কিন্তু কোনো ৰাজনৈতিক দলৰ নেতাৰ মুখত এনেধৰণৰ চূড়ান্ত সাম্প্ৰদায়িক কথা আজিলৈকে শুনিবলৈ পোৱা নাই। মুখ্যমন্ত্ৰীৰ এই ভাষ্যক অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা তীব্ৰ ভাষাৰে গৰিহণা দিছো। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক ৰামান্না বৰুৱাই এক প্ৰেছ বিবৃতিত কয় যে মুখ্যমন্ত্ৰীয়ে বিশ্বনাথ চাৰিআলিত কাৰোবাক খতম কৰিবৰ বাবে বিজেপিৰ জন্ম হৈছে জাতীয় যি কথা কৈছে সেয়া বিজেপিৰ দলীয় স্থিতি নেকি বুলি প্ৰশ্ন কৰে? সংখ্যালঘু সম্প্ৰদায়ৰ লোকক খতম কৰিবৰ বাবে বিজেপিৰ জন্ম হৈছে বুলি মুখ্যমন্ত্ৰীজনে যি মন্তব্য কৰিছে সেই মন্তব্য ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সমৰ্থন কৰিবনে নাই বুলি তেওঁ প্ৰশ্ন কৰে। বৰুৱাই পবিত্ৰ ঈদৰ দিনটোত মুছলমান ৰাইজৰ আৱেগ-অনুভূতিত আঘাত হানিব পৰা কথা কোৱাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক হৃদয়হীন মুখ্যমন্ত্ৰী আৰু অসমীয়া জাতি-জনগোষ্ঠীৰ বিভাজন আনি নিজৰ ৰাজনৈতিক সুবিধা আদায়ৰ চেষ্টাত ব্যস্ত থকা মুখ্যমন্ত্ৰী বুলি অভিহিত কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্মাণ হ'ব বড়োফাৰ জীৱনক লৈ তথ্যচিত্ৰ!

হিচাপে পালিত হৈছে। ইয়াৰ উপৰি এবছুৱে আজিৰ দিনটোত নতুন দিল্লী, মেঘালয়তো ছাত্ৰ দিৱস হিচাপে উদযাপন কৰিছে। গুৱাহাটীত ছাত্ৰ দিৱস ৰাজ্যিকভাৱে উদযাপন কৰাৰ সমান্তৰালভাৱে আজি কোকৰাঝাৰ জিলাৰ দোতমাৰ বড়োফাৰ সমাধিক্ষেত্ৰ থুলুংগাপুৰিত এবছু, ইউএনবিটি ট্ৰাষ্ট আৰু স্থানীয় জনসাধাৰণৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে ছাত্ৰ দিৱস উদযাপন কৰা হয়। এই উপলক্ষে আজি পুৱা পতাকা উত্তোলনেৰে ছাত্ৰ দিৱসৰ দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে এবছুৰ সভাপতি দ্বীপেন বড়োৱে। ইয়াৰ পিছতে বড়োফাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে ৰাজ্যৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। বড়োফাৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কোকৰাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডিমাচা দৈব্ৰাং মুছাহাৰীয়ে। আনহাতে এবছুৰ সভাপতি দ্বীপেন বড়োৱে ছাত্ৰ দিৱসৰ পতাকা উত্তোলনৰ পিছত বড়োফাৰ নীতি-আদৰ্শেৰে বড়ো জাতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰা আৰু বড়োফাৰ কৰ্মৰাজি আৰু সপোনক বাস্তৱত ৰূপায়ণ কৰাৰ বাবে এবছু একত্ৰিতভাৱে কাম কৰি যাব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। ভাৰতৰ বিভিন্ন প্ৰান্তত ছাত্ৰ দিৱস উদযাপন কৰা হৈছে আৰু সকলোলৈ শুভেচ্ছা জ্ঞাপন কৰি দ্বীপেন বড়োৱে কয় যে এবছুৰ সভাপতি হিচাপে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মই নিজৰ চাৰিবছৰীয়া কাৰ্যকালতে গণ জাগৰণ আনিবলৈ সক্ষম হৈছিল আৰু বড়ো জনগোষ্ঠীৰ লগতে আন জাতি-জনগোষ্ঠীৰো ৰাজনৈতিক, সাংবিধানিক অধিকাৰৰ হকে মাত মাতিছিল। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম তেওঁলোকৰ বাবে আদৰ্শ আৰু সাহস বুলি মন্তব্য কৰি পৃথিৱীত থকা সকলো বড়ো জাতি একত্ৰিত হোৱাৰ কামনা কৰিছে। বড়ো আন্দোলনৰ ফলশ্ৰুতিতে বিএচি, বিটিটি আৰু বিটিআৰ চুক্তি সম্পাদন হ'ল বুলি মন্তব্য কৰি নতুন দিল্লীৰ এটা পথ ইতিমধ্যে বড়োফাৰ নামত নামকৰণ কৰা আৰু প্ৰতিমূৰ্তি স্থাপন কৰাৰ কথা গৃহমন্ত্ৰীয়ে ঘোষণা কৰাৰ বিষয়ে উনুকিয়ায় দ্বীপেন বড়োৱে। ইয়াৰ উপৰি আমেৰিকা, লণ্ডন, জাপান আদি দেশত বড়োফাৰ প্ৰতিমূৰ্তি ভৱিষ্যতে স্থাপন কৰাৰ পৰিকল্পনা আছে বুলি এবছুৰ সভাপতি দ্বীপেন বড়োৱে মন্তব্য কৰে। ইপিনে অনুষ্ঠানত উপস্থিত থকা ৰাজ্যৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কয় যে বড়োফাৰ সোঁৱৰণত প্ৰদান কৰি অহা মানৱতাৰ সৈনিক বঁটাই আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি পাইছে। উপেন্দ্ৰনাথ ব্ৰহ্মৰ জীৱনভিত্তিক বুৰঞ্জী লিখি থকা হৈছে আৰু ভৱিষ্যতে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ জীৱনৰ ওপৰত ডকুমেণ্টৰী ফিল্ম নিৰ্মাণ কৰা হ'ব বুলি সদৰী কৰিছে কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। উল্লেখ্য যে আজিৰ অনুষ্ঠানত বিধায়ক লৰেন্স ইছলাৰী, এবছুৰ উপ-সভাপতি খৌৰৌমদাও ৰাৰী, এবছুৰ কৰ্মকৰ্তাসকল, ইউএনবিটি ট্ৰাষ্টৰ বিষয়ববীয়া, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# মহবুবুল-দিলোৱাৰৰ দৰে মানুহক 'খতম' কৰিব

টিঙিৰি তুলা হৈ পৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। মুঠতে এপেক্স বেংকৰ কেলেংকাৰীয়ে অস্বস্তিত পেলাইছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক। যাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে লাগ-বান্ধ নোহোৱা কথা কৈ গৈছে। প্ৰায় ৬০ কোটি টকীয়া কেলেংকাৰীৰ কথা মুখ্যমন্ত্ৰীক সুধিবলৈ আৰম্ভ কৰাত মুখ্যমন্ত্ৰীয়ে দিলোৱাৰ হুছেইন মজুমদাৰ আৰু মহবুবুল হকৰ নাম মুখত লয়। দুৰ্নীতিৰ তদন্ত কৰিম বুলি কোৱাৰ পৰিবৰ্তে কেৱল দিলোৱাৰ হুছেইন মজুমদাৰ আৰু মহবুবুল হকৰ নাম কৈ মুখ্যমন্ত্ৰীয়ে বিষয়টোৰ পৰা ফালৰি কাটে। এদিন পূৰ্বে গৌৰৱ গগৈয়ে এপেক্স বেংক কেলেংকাৰীৰ তদন্ত দাবী কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল। গৌৰৱ গগৈৰ পত্ৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীক সাংবাদিকে প্ৰশ্ন কৰিছিল। তেতিয়া মুখ্যনন্ত্ৰীয়ে কৈছিল যে দিলোৱাৰ হুছেইন, মহবুবুল হকহঁতৰ পিছত সদায় আমি থাকো। আগে আগে দিলোৱাৰ-মহবুবুল। পিছে পিছে আমি। এয়াই জাতিৰ দুৰ্ভাগ্য। সেয়া আছিল এদিন পূৰ্বৰ কথা। আজি পুনৰ মুখ্যমন্ত্ৰীক সাংবাদিকে একেটাই প্ৰশ্ন কৰিছিল। আজি মুখ্যমন্ত্ৰীয়ে এখোপ আগুৱাই গৈ এপেক্স বেংক কংগ্ৰেছে ধ্বংস কৰিব খোজাৰ অভিযোগ আনিছে। লগতে মুখ্যমন্ত্ৰীয়ে অত্যন্ত বৈষম্যমূলক মন্তব্য প্ৰদান কৰি কয় যে দিলোৱাৰ হুছেইন মজুমদাৰ, মহবুবুলহঁতক খতম কৰিবলৈয়ে বিজেপিৰ জন্ম হৈছে। আজি মুখ্যমন্ত্ৰীয়ে বিশ্বনাথ ভ্ৰমণ কৰিছিল। বিশ্বনাথতো মুখ্যমন্ত্ৰীক সাংবাদিকে সুধিছিল এপেক্স বেংকৰ কেলেংকাৰীৰ কথা। তেতিয়া মুখ্যমন্ত্ৰীয়ে কয় যে এইটো হৈছে ৰাইজৰ অনুষ্ঠান। অনুষ্ঠানটো কংগ্ৰেছে ধ্বংস কৰাত লাগি গৈছে। এপেক্স বেংকটো জাতীয় অনুষ্ঠান। জাতীয় অনুষ্ঠানটো দিলোৱাৰৰ ইচাৰাত ধ্বংস কৰিব খোজা হৈছে। কোনোবা এজন দিলোৱাৰে ক'লে দুৰ্নীতি আছে। দুৰ্নীতি হৈ গ'ল? মৰি যোৱা বেংক এটা উন্নত হ'ল। এটিএম আহিলে। এই বেংকটোত নতুন নতুন টেকনলজি আহিলে সেই কথাবিলাক দিলোৱাৰে নাজানে। অসমৰ দুৰ্ভাগ্য যে দিলোৱাৰে যি কয় তাকে এচাম মানুহে বিশ্বাস কৰে। দিলোৱাৰৰ দৰে মানুহৰ আমি বিৰোধী। বিজেপিৰ জন্মই হৈছে দিলোৱাৰৰ দৰে মানুহক খতম কৰাৰ কাৰণে। এই যুদ্ধ চলিবই। মোক বেয়া পায় ভাল পায় লাভ নাই। মহবুবুল, দিলোৱাৰহঁতৰ দৰে মানুহক আইনৰ বিৰুদ্ধে নহয় আইনৰ ভিতৰত থাকি খতম কৰাই মোৰ কাম। কিন্তু বিভিন্নজনে প্ৰশ্ন কৰি কয় যে আজি ঈদৰ দিনটোত মুখ্যমন্ত্ৰীয়ে এনেকুৱা কথা ক'ব নালাগিছিল। এজন মুখ্যমন্ত্ৰীৰ মুখৰ ভাষা যদি এনেকুৱা হয় তেন্তে বাকীবোৰৰ কি হ'ব বুলি প্ৰশ্ন কৰিছে একাংশ লোকে। সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ দৰে মানুহক যে খতম কৰাৰ কথা কৈছে তাৰ অৰ্থনো কি? প্ৰকৃত সাংবাদিকতাৰ ক্ষেত্ৰত প্ৰতিজন সাংবাদিকেই দিলোৱাৰ হুছেইন মজুমদাৰৰ দৰে প্ৰশ্ন কৰি যাবই। তাৰমানে কি, বিজেপিয়ে প্ৰশ্ন কৰা প্ৰতিজন সাংবাদিকক খতম কৰি পেলাব নেকি মুখ্যমন্ত্ৰীয়ে? চীনৰ দৰে একনায়কত্ববাদী কট্টৰ বাঁওপন্থী চৰকাৰ, ৰাছিয়া, ধৰ্মীয় শাসন থকা ছৌদি আৰবৰ দৰে দেশৰ লগতে বৰ্তমান উগ্ৰ সোঁপন্থী চৰকাৰ থকা আমেৰিকাকে ধৰি কোনো দেশেই আজিলৈকে প্ৰশ্ন কৰা সাংবাদিকক খতম কৰিব পৰা নাই বুলি কৈ এগৰাকী জ্যেষ্ঠ সাংবাদিকে মুখ্যমন্ত্ৰীক উভতি ধৰিছে। জৰুৰীকালীন অৱস্থা জাপি দিয়া ইন্দিৰা গান্ধীয়েও হাজাৰ চেন্সৰশ্বিপ লগায়ো সাংবাদিকৰ মুখ বন্ধ কৰিব পৰা নাছিল। তেনেস্থলত মাত্ৰ দহ বছৰ শাসন চলাইয়েই বিজেপিয়ে প্ৰশ্ন কৰা সাংবাদিকক খতম কৰিব পাৰিবনে বুলিও প্ৰশ্ন উত্থাপন হৈছে? এতিয়া প্ৰশ্ন হৈছে মুখ্যমন্ত্ৰীয়ে কিয় বাৰে বাৰে ধৰ্মবিশেষৰ নাম লৈ এপেক্স বেংক কেলেংকাৰীৰ বিষয়টো অন্য দিশে নিব খুজিছে। লক্ষণীয় যে ২৫ মাৰ্চত অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠনে এপেক্স বেংকৰ কেলেংকাৰীৰ বিৰুদ্ধে প্ৰতিবাদৰ সময়তে বাতৰি সংগ্ৰহ কৰিব গৈছিল দিলোৱাৰ হুছেইন মজুমদাৰ নামৰ সাংবাদিকজন। সাংবাদিকজনে ইয়াৰ পূৰ্বে এপেক্স বেংকৰ কেলেংকাৰীৰ বাতৰি পৰিৱেশন কৰিছিল। কিন্তু ২৫ মাৰ্চত এপেক্স বেংকৰ কেলেংকাৰীৰ বিৰুদ্ধে প্ৰতিবাদৰ সময়ত দিলোৱাৰ হুছেইনক গুৱাহাটী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। পিছদিনা আদালতে জামিন প্ৰদান কৰে। কিন্তু আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ কৰে। পুনৰ জামিন প্ৰদান কৰে আদালতে। সেই সময়ত বিষয়টোক লৈ দেশজুৰি চৰ্চা হয় যে এপেক্স বেংকৰ কেলেংকাৰীৰ বাতৰি কৰাৰ বাবে অসমত সাংবাদিকক গ্ৰেপ্তাৰ কৰা হৈছে। ৰাষ্ট্ৰীয় সাংবাদিকে বিষয়টোক লৈ প্ৰতিক্ৰিয়া প্ৰকাশৰ লগতে দিল্লীত অসমৰ সাংবাদিকে প্ৰতিবাদ সাব্যস্ত কৰে। লগতে বিভিন্ন ৰাষ্ট্ৰীয় সংবাদ সংস্থাই বাতৰি পৰিৱেশন কৰে। তাৰ মাজতে সাংবাদিকক অনৈতিকভাৱে গ্ৰেপ্তাৰ আৰু এপেক্স বেংকৰ কেলেংকাৰীৰ তদন্ত বিচাৰি গৌৰৱ গগৈয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ প্ৰেৰণ কৰে। সাংবাদিকক গ্ৰেপ্তাৰ কৰি দুৰ্নীতিৰ কথা তল পেলাব খুজিছিল যদিও প্ৰকৃততে বিস্ফোৰণহে হয়। বিষয় গৈ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় পায়। ফলত মুখ্যমন্ত্ৰীগৰাকীৰ নাম দুৰ্নীতিত সাঙোৰ খাই পৰে। কিয়নো এপেক্স বেংকৰ সঞ্চালক হৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। অধ্যক্ষ হৈছে বিজেপি বিধায়ক বিশ্বজিৎ ফুকন। ফলত মুখ্যমন্ত্ৰীগৰাকী সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ বিৰুদ্ধে সৰৱ হৈছে। দেখদেখকৈ বেংকটোত সংঘটিত বিয়াগোম কেলেংকাৰীৰ তথ্য পোহৰলৈ আহিছিল। অনা-অসমীয়া ৰাজেশ বাজাজক ডিমাণ্ড বিল পাৰছেছ একাউণ্টৰ জৰিয়তে ২০ কোটি ৩০ লাখ টকা দিয়া হৈছিল। ডিমাণ্ড বিল পাৰছেচ ৰিজাৰ্ভ বেংকে বন্ধ কৰিছে। তথাপি ২০ কোটি টকা ডিবিপিৰ জৰিয়তে উলিয়াই নিছিল ৰাজেশ বাজাজে। ইপিনে পৰিচালন সঞ্চালক নিযুক্তি নীতি-নিৰ্দেশনা অমান্য কৰা হৈছিল। আজিলৈ জব প্ৰফাইল ৰাজহুৱা কৰা হোৱা নাই। বেংকত ডিজিটেল প্লেটফৰ্মৰ নিবিদাত প্ৰায় ২৮ কোটি টকীয়া কেলেংকাৰী সংঘটিত হোৱাৰ অভিযোগ উঠিছে। অসম চৰকাৰৰ সমবায় বিভাগৰ উপ-সচিব শান্তনু গগৈয়ে কো-অপাৰেটিভ ছ'চাইটীৰ পঞ্জীয়কক সমগ্ৰ বিষয়টো তদন্ত কৰি ১৫ দিনৰ ভিতৰত প্ৰতিবেদন জমা দিবলৈ কৈছিল। বিভিন্ন দল-সংগঠনে এপেক্স বেংকৰ কেলেংকাৰীৰ তদন্তৰ দাবী কৰিছে। দল-সংগঠনে ৰাজেশ বাজাজে প্ৰায় ২০ কোটি টকা উলিয়াই নিয়া কেলেংকাৰী আৰু ডাটা মজুত ব্যৱস্থাৰ নিবিদাৰ নামত সংঘটিত ২৮ কোটি টকীয়া কেলেংকাৰীৰ তদন্তৰ দাবী উত্থাপনৰ সময়তে মুখ্যমন্ত্ৰী এতিয়া অস্বস্তিত পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আজিৰে পৰা ১ টকা হ্ৰাস পাব বিদ্যুৎ মাচুল

লাইভ আহি কেইবাটাও ঘোষণা কৰিছে। অসমৰ বিদ্যু গ্ৰাহকৰ বাবে এক বিশেষ ঘোষণা কৰিছে। দুদিন পূৰ্বে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ মুখ্যমন্ত্ৰীয়ে বিদ্যুৎ বিল প্ৰতি ইউনিটত এক টকাকৈ হ্ৰাস কৰাৰ ঘোষণা কৰিছিল। সেই অনুসৰি আজি প্ৰতিশ্ৰুতি পূৰণ কৰাৰ ঘোষণা কৰিছে। ১ এপ্ৰিলৰ পৰা প্ৰতি ইউনিটত বিদ্যুতৰ বিল ১ টকাকৈ হ্ৰাস পাব বুলি ঘোষণা কৰিছে। ৰাজ্যৰ ৩০ লাখ লোকে স্মাৰ্ট মিটাৰ ব্যৱহাৰ কৰাৰ বাবে ৰাজহ বৃদ্ধি পাইছে। লগতে ফেচবুক লাইভ যোগে মুখ্যমন্ত্ৰীয়ে হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও ঘোষণা কৰিছে। মহিলা মুখ্যমন্ত্ৰী উদ্যমিতা আঁচনিৰ কাইলৈ শুভাৰম্ভ কৰাৰ ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আত্মসহায়ক গোটৰ প্ৰতিগৰাকী সদস্যক ১০ হাজাৰ টকাকৈ দিব ৰাজ্য চৰকাৰে। অসমপ ২৭ লাখ মহিলাই এই আঁচনিয়ে লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে আন এটা ঘোষণা কৰি ৰাজ্যত ২ এপ্ৰিলৰ পৰা খেল মহাৰণ আৰম্ভ হ'ব বুলি উল্লেখ কৰে। নিট পৰীক্ষাক লৈ আন এক সিদ্ধান্ত লোৱাৰ ঘোষণা কৰিছে। এতিয়াৰে পৰা নিট পৰীক্ষা কেৱল চৰকাৰী বিদ্যালয়ত অনুষ্ঠিত হ'ব। ব্যক্তিগত প্ৰতিষ্ঠানত অনুষ্ঠিত নহয় নিট পৰীক্ষা। মুখ্যমন্ত্ৰীয়ে ১ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈ মৎস্য চিকাৰ নকৰিবলৈ আহ্বান জনাই কৈছে যে ঘন জালেৰে মাছ নধৰিব। এইবাৰ একাদশ শ্ৰেণীৰ পৰীক্ষা অনুষ্ঠিত নকৰাৰ ইংগিত দি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ চূড়ান্ত পৰীক্ষাৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হ'ব পাৰে বুলি আশ্বাস দিয়ে মুখ্যমন্ত্ৰীয়ে। কাইলৈৰ পৰা চৰকাৰে ক্ৰয় কৰিবলগীয়া প্ৰতি কুইন্টল ধানত ২৫৫০ টকাকৈ লাভ কৰিব চৰকাৰে। সৰিয়হ প্ৰতি কুইন্টলত ৬৪৫০ টকাকৈ চৰকাৰে প্ৰদান কৰিব বুলিও ঘোষণা কৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজিৰে পৰা সলনি হ’ব ইউপিআই-বেংকিং

বৰ্ষৰ আৰম্ভণিতে একাধিক পৰিৱৰ্তনে প্ৰভাৱ পেলাবলৈ সাজু হৈছে কৰদাতাৰ পৰা আৰম্ভ কৰি সাধাৰণ গ্ৰাহক আৰু কৰ্মচাৰীৰ জীৱনত। ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ’বলৈ গৈ আছে নতুন আয়কৰ কাঠামো, পেঞ্চনৰ নিয়ম, নতুন ইউপিআই-বেংকিং গাইডলাইন আৰু জিএছটি পৰিৱৰ্তন। এই পৰিৱৰ্তনে সাধাৰণ মানুহৰ দৈনন্দিন জীৱনত প্ৰত্যক্ষ প্ৰভাৱ পেলাব। নতুন আয়কৰ গাঁথনিত ডাঙৰ ৰেহাই দিয়া হৈছে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে বাজেট ভাষণত ঘোষণা কৰে যে বছৰি ১২ লাখ টকা পৰ্যন্ত আয় কৰমুক্ত কৰা হৈছে। ইয়াৰ উপৰি ৭৫ হাজাৰ টকাৰ মানক কৰ্তন কাৰ্যকৰী কৰা হ’ব, যাৰ ফলত ১২.৭৫ লাখ টকা পৰ্যন্ত দৰমহাৰ ওপৰত কোনো আয়কৰ নাথাকিব। একেদৰে চৰকাৰী কৰ্মচাৰীৰ বাবে কাৰ্যকৰী হ’ব নতুন পেঞ্চন নিয়ম। ২০২৪ চনৰ আগষ্ট মাহত আৰম্ভ হোৱা ইউনিফাইড পেঞ্চন আঁচনি (ইউপিএছ) পুৰণি পেঞ্চন আঁচনিৰ ঠাই ল’ব। এই পৰিৱৰ্তনে কেন্দ্ৰীয় চৰকাৰৰ প্ৰায় ২৩ লাখ কৰ্মচাৰীক এক্ষেছ হেৰুৱাবলগীয়া প্ৰভাৱিত কৰিব। যদি সেৱাৰ সময়সীমা ২৫ বছৰৰ অধিক হয় তেন্তে যোৱা ১২ মাহৰ গড় মৌলিক দৰমহাৰ ৫০ শতাংশ পেঞ্চন হিচাপে দিয়া হ’ব। আনহাতে ক্ৰেডিট কাৰ্ড ব্যৱহাৰকাৰীৰ বাবেও আহি আছে নতুন নিয়ম। বিভিন্ন বেংকে নিজৰ ৰিৱাৰ্ড পইণ্টৰ গাঁথনি সলনি কৰি আছে। চিমপ্লিক্লিক এছবিআই কাৰ্ড আৰু এয়াৰ ইণ্ডিয়া এছবিআই প্লেটিনাম ক্ৰেডিট কাৰ্ডৰ পইণ্ট ব্যৱস্থাৰ পৰিৱৰ্তন হ’ব। এয়াৰ ইণ্ডিয়া-ভিষ্টাৰ একত্ৰিকৰণৰ পিছত এক্সিছ বেংকৰ ভিষ্টাৰ ক্ৰেডিট কাৰ্ডৰ সুবিধাও সলনি হৈছে। ইফালে, ইউপিআই ব্যৱহাৰকাৰীৰ বাবে নতুন সুৰক্ষা ব্যৱস্থা কাৰ্যকৰী হ’ব পহিলা এপ্ৰিলৰ পৰা। দীৰ্ঘদিন ধৰি ইউপিআই লেনদেনৰ বাবে ব্যৱহাৰ নোহোৱা মোবাইল নম্বৰ নিষ্ক্ৰিয় কৰা হ’ব বুলি ভাৰতীয় ৰাষ্ট্ৰীয় পেমেণ্ট নিগমে প্ৰকাশ কৰিছে। গ্ৰাহকে ১ এপ্ৰিলৰ পূৰ্বে তেওঁলোকৰ বেংকলৈ গৈ নিজৰ নম্বৰ আপডেট কৰিব লাগিব, নহ’লে তেওঁলোকে ইউপিআইৰ হ’ব পাৰে বুলিও সদৰী কৰা হৈছে। লক্ষণীয়ভাৱে, ভাৰতত ভয়ংকৰভাৱে বৃদ্ধি পোৱা ইউপিআই চাইবাৰ অপৰাধ ৰোধৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। লগতে বেংকৰ নূন্যতম বেলেঞ্চৰ নিয়মতো সালসলনি কৰা হৈছে। ভাৰতীয় ষ্টেট বেংক, পাঞ্জাব নেশ্যনেল বেংক আৰু কানাড়া বেংককে ধৰি কেইবাটাও বেংকে নূন্যতম বেলেঞ্চৰ নিয়ম সলনি কৰিছে। যদি গ্ৰাহকে প্ৰয়োজনীয় বেলেঞ্চ বজাই ৰাখিব নোৱাৰে তেন্তে জৰিমনা ভৰিব লাগিব। একেদৰে জিএছটি ব্যৱস্থাতো কাৰ্যকৰী হ’ব নতুন নিয়ম। এতিয়াৰে পৰা জিএছটি প’ৰ্টেলত লগ ইন কৰাৰ সময়ত মাল্টি ফেক্টৰ অথেণ্টিকেচন (এমএফএ) বাধ্যতামূলক কৰা হৈছে, যাতে কৰদাতাৰ নিৰাপত্তা আৰু অধিক শক্তিশালী হয়। ইয়াৰ উপৰি ১৮০ দিনতকৈ পুৰণি নথি-পত্ৰ ই-ৱে বিল সৃষ্টি কৰিবলৈ ব্যৱহাৰ কৰিব নোৱাৰিব। এই সকলোবোৰ পৰিৱৰ্তন নতুন বিত্তীয় বৰ্ষৰ প্ৰথম দিনাৰ পৰা কাৰ্যকৰী হৈছে, যাৰ প্ৰত্যক্ষ প্ৰভাৱ সাধাৰণ মানুহৰ বিভিন্ন ক্ষেত্ৰত পৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যজুৰি উদযাপন পবিত্ৰ ঈদ-উল ফিটৰ

নামাজ আদায় কৰা হয়। জ্যেষ্ঠ, কনিষ্ঠসকলে মাছখোৱা খেলপথাৰত সম্প্ৰীতিৰ বাণী প্ৰদান কৰি সমূহীয়া নামাজ আদায় কৰে। আনহাতে গাড়ীগাঁও ঈদগাহত কেইবা হাজাৰ লোকে নামাজ আদায় কৰে। সাতামপুৰুষীয়া ঐতিহ্যৰ মহামিলনভূমি অসমত মাহে ৰমজানৰ অন্তত সম্প্ৰীতিৰ বান্ধোনেৰে ঈদ-উল ফিতৰৰ সমূহীয়া নামাজ আদায় কৰা হয়। ভাতৃত্ববোধৰ বাৰ্তা প্ৰদান কৰি অসমীয়া জাতিক বিশ্ব দৰবাৰত জিলিকি থকাৰ কামনাৰে অসমত সমূহীয়া নামাজৰ অন্তত দোৱা কৰা হয়। আজি পবিত্ৰ ঈদ-উল ফিতৰ। ৰমজানৰ মাহজোৰা ৰোজা ৰখা বিশ্বৰ ইছলামধৰ্মীয়ে উলহ-মালহেৰে ঈদ উদযাপন কৰিছে। ঈদৰ চন্দ্ৰ দৰ্শনৰ লগে লগে অসমৰ প্ৰান্তৰ পৰা প্ৰান্তলৈ প্ৰেম, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ জ্যোতিয়ে উদ্ভাসিত হৈ উঠে। ঈদগাহ ময়দান আৰু মছজিদসমূহত সমূহীয়া নামাজ, পৰস্পৰক শুভেচ্ছা বিনিময়, আত্মীয়-স্বজনৰ সৈতে মিলন আদিৰে এই উৎসৱৰ পৱিত্ৰতা আৰু সামাজিক ঐক্যৰ ছবি প্ৰতিফলিত হৈছে। ৰমজানৰ শেষ ৰোজাৰ অন্তত আজি ইছলামধৰ্মীয় গাম্ভীৰ্যৰে ঈদ পালন কৰাৰ লগতে আনন্দ কৰে। ঈদগাহত বিশেষ প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। য’ত হাজাৰ হাজাৰ লোকে সমবেত হৈ আল্লাহৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছে। সকলো গুনাহৰ (ভুল) পৰা মাফ কৰি দিয়াৰ আৰ্জি দিয়ে আল্লাক। নামাজৰ পিছত লোকসকলে ইজনে সিজনক সাবটি ‘ঈদ মুবাৰাক’ৰ শুভেচ্ছা বিনিময় কৰে। ৰাস্তা-ঘাট, বজাৰ-চহৰত শিশুৰ মাজত মিঠাই আদি বিতৰণৰ পৰিৱেশে দেখা গৈছে। নামাজৰ পূৰ্বেই ঈদ-উল ফিতৰৰ অন্যতম প্ৰাসংগিক দিশ জাকাত আদায় কৰে ইছলামধৰ্মীয়ে। ধৰ্মীয় নিয়ম মতে, সামৰ্থ্যৱান ইছলামধৰ্মীকলে নিজৰ সম্পত্তিৰ ৪০ ভাগৰ ১ ভাগ (২.৫ শতাংশ) অভাৱগ্ৰস্ত লোকক দান কৰে। এই দানৰ মূল উদ্দেশ্য হৈছে সমাজৰ দুখীয়া শ্ৰেণীটোক আত্মনিৰ্ভৰশীল হোৱাত সহায় কৰা। অসমৰ বিভিন্ন অঞ্চলত জাকাতৰ ধন, খাদ্য, বস্ত্ৰ আদিৰে সহায় আগবঢ়োৱা দেখা গৈছে, যাৰ জৰিয়তে উৎসৱৰ মাজতে সমতা আৰু মানৱতাৰ বাৰ্তা প্ৰচাৰিত হৈছে। অকল অসম বা ভাৰততেই নহয়, বিশ্বৰ সকলো দেশত ঈদ-উল ফিতৰক ত্যাগ আৰু ভাতৃত্বৰ উৎসৱ হিচাপে পালন কৰা হৈছে। ধনী-দুখীয়াৰ ভেদাভেদ নোহোৱাকৈ সকলোৱে একেলগে নামাজ পঢ়া, মিলা-মিছা আৰু দানধৰ্মৰ জৰিয়তে দিনটোত আধ্যাত্মিক তাৎপৰ্যকে গঢ়ি তুলিছে। বিশেষকৈ যুদ্ধবিধ্বস্ত অঞ্চল বা দুৰ্যোগপীড়িত অঞ্চলসমূহত ঈদৰ আনন্দ কৰাত সংহতিৰ প্ৰতীক হৈ পৰিছে ঈদ। পবিত্ৰ ঈদ-উল ফিতৰ কেৱল ধৰ্মীয় উৎসৱেই নহয়, ই মানৱতা, সহানুভূতি আৰু সামাজিক ঐক্যৰ এক জীৱন্ত পৰিচয়। অসমত ঈদ উদযাপনে একাধাৰে ধৰ্মীয় বিশ্বাস আৰু বহুত্ববাদী সংস্কৃতিৰ সৌন্দৰ্যক প্ৰতিনিধিত্ব কৰিছে। ঈদৰ পৱিত্ৰ বাণী “সকলোৰে কাৰণে শান্তি আৰু সমৃদ্ধি” — এই কথাষাৰেই যেন সমাজৰ প্ৰতিজন ব্যক্তিৰ বাবে প্ৰাসংগিক হয়। ঈদৰ প্ৰকৃত সুখ হৈছে পৰস্পৰৰ মাজত ভাতৃত্ববোধ আৰু সহমৰ্মিতা বৃদ্ধি কৰা” বুলি কয় গুৱাহাটীৰ ঈদগাহত নামাজ পঢ়োৱা এজন ইমামে। ঈদে মানুহৰ হৃদয়ত আশাৰ সেউজ সানি যায়— এয়াই ইয়াৰ শাশ্বত মহিমা। আনহাতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমবাসীক ঈদ-উল ফিতৰৰ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয় যে সমূহ ইছলাম ধৰ্মাৱলম্বী লোকৰ লগতে অসমবাসীলৈ ঈদ-উল-ফিতৰৰ শুভেচ্ছা জ্ঞাপন কৰিলো। উৎসৱটিয়ে কঢ়িয়াই আনক সকলোৰে বাবে সুখ, শান্তি আৰু সমৃদ্ধি।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘পাকিস্তান যোৱা মানেই দেশদ্ৰোহী

পাকিস্তান সংযোগক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কয় যে আজিলৈ গৌৰৱ গগৈয়ে পাকিস্তানলৈ যোৱা নাই বুলি ক’বলৈ সাহস কৰা নাই। পাকিস্তানলৈ যোৱাৰ কথাটোত জোৰ দি কয় যে গৌৰৱ গগৈৰ পত্নীৰ পাচপৰ্টত পাকিস্তানৰ ষ্টাম্প লগা আছে। তেওঁ কয় যে পাচপৰ্টত কোনোৱে ৰাজনীতি কৰি ষ্টাম্প লগাব নোৱাৰে। যেতিয়া কোনোৱে পাকিস্তানত যায় তেতিয়াহে ষ্টাম্প মাৰে। পাকিস্তানলৈ যোৱা নাই বুলি ক’বৰ বাবে গৌৰৱ গগৈয়ে সাহস কৰা নাই। পাচপৰ্টৰ ষ্টাম্প ৰাজনীতি কৰি মাৰি দিব পাৰিম নেকি? মই ইমান পাৱাৰফুল মানুহ নহয়। পাচপৰ্টত ষ্টাম্প মাৰিব পাৰিম। গ’লেহে পাচপৰ্টত ষ্টাম্প থাকিব। মুখ্যমন্ত্ৰী শৰ্মাই পাকিস্তানত যোৱা মানে দেশ বিৰোধী বুলি কৈ গৌৰৱ গগৈক আক্ৰমণ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ ভাৰতীয় ক্ৰিকেট দলেই পাকিস্তানলৈ নাযায়। কেতিয়াবা কোনোবা কামত যাব, ফটো উঠি যাব। মনে মনে কিয় যাব। মনে মনে পাকিস্তানত গ’লে এৰি দিব নেকি। ৭ দিন পাকিস্তানত থাকি আহে আৰু গম পাই তেন্তে মোক কোনে এৰিদিব নেকি?

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘ভাৰতত বাস কৰা দুই-তৃতীয়াংশই হিন্দু ৰাষ্ট্ৰ

নেতাগৰাকীয়ে আজি মুছলমানসকলক পবিত্ৰ ঈদৰ শুভেচ্ছা জনাই অভিযোগ কৰে যে ক্ষমতাসীনসকলৰ সমৰ্থনত দেশত প্ৰণালীবদ্ধভাৱে ঘৃণা আৰু বিভাজনৰ পৰিৱেশ সৃষ্টি কৰা হৈছে। কিন্তু এনে প্ৰচেষ্টা সফল নহ’ব বুলি দাবী কৰি আয়াৰে কয় যে দেশৰ গৰিষ্ঠসংখ্যক জনসাধাৰণে এই বিভাজনৰ ৰাজনীতিক সমৰ্থন নকৰে। আয়াৰে কয়, "দেশৰ দুই-তৃতীয়াংশ জনসাধাৰণে এই ঘৃণাৰ ৰাজনীতিক সমৰ্থন নকৰে। যিসকলে এই ঘৃণা বিয়পাবলৈ চেষ্টা কৰিছে তেওঁলোকে ভুল পথত আগবাঢ়িছে। ইয়াৰে ৫০ শতাংশ হিন্দু, যিসকলে সাম্প্ৰদায়িক সম্প্ৰীতিৰ পক্ষপাতী।" তেওঁ আৰু কয় যে ভাৰত এখন বৈচিত্ৰ্যৰ দেশ, য’ত সকলো ধৰ্মৰ লোকে সহাৱস্থানৰ আদৰ্শ মানি চলে। ইয়াত যুগ যুগ ধৰি এক সমন্বয়ৰ পৰিৱেশ বিদ্যমান আৰু ইয়াক ধ্বংস কৰাৰ চেষ্টা কেতিয়াও সফল নহ’ব। ঈদৰ শুভেচ্ছা জ্ঞাপন কৰি আয়াৰে কয়, "ভাৰত এখন ধৰ্মনিৰপেক্ষ দেশ। এই পবিত্ৰ উৎসৱত মোৰ সকলো মুছলমান ভাই আৰু দেশবাসীক শুভেচ্ছা জনাইছো।" বিশেষকৈ ছৌদি আৰব, সংযুক্ত আৰব আমিৰশ্বাহী আৰু ইউৰোপত বসবাস কৰা ভাৰতীয় মুছলমানসকলকো তেওঁ শুভেচ্ছা জনায়। তেওঁ কয় যে ভাৰত বিভিন্ন সম্প্ৰদায়ৰ সহাৱস্থানৰ স্থান, য’ত সংখ্যালঘুসকলেও সমান গুৰুত্ব লাভ কৰে। সেয়েহে তেওঁ সকলোকে উৎসৱৰ আনন্দৰ ভাগ ল’বলৈ আৰু ধৰ্মীয় উন্মাদনাৰ জালত নপৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে শেহতীয়াকৈ কেইবাটাও বিতৰ্কত লিপ্ত হোৱা মণিশংকৰ আয়াৰৰ এই পোষ্টে পুনৰ এবাৰ বাতৰিৰ শিৰোনাম দখল কৰিছে। কিছুদিন পূৰ্বে ইউটিউব চেনেলৰ সৈতে হোৱা বাৰ্তালাপত তেওঁ প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক লৈ বিতৰ্কিত মন্তব্য কৰিছিল। আয়াৰে কৈছিল, "ইন্দিৰা গান্ধীৰ বিষয়ে সকলোৱে জানে। কিন্তু যেতিয়া ৰাজীৱ গান্ধী প্ৰধানমন্ত্ৰী হৈছিল তেতিয়া মই স্তম্ভিত হৈছিলো। কেৱল ময়েই নহয়, সমগ্ৰ দেশেই আচৰিত হৈছিল। তেওঁ কেম্বি জ বিশ্ববিদ্যালয়ত আৰু পিছলৈ ইম্পেৰিয়েল কলেজ লণ্ডনত দুবাৰকৈ ফেইল কৰিছিল।" ৰাজনৈতিক মঞ্চত পুনৰ বিতৰ্কৰ সৃষ্টি কৰা মণিশংকৰ আয়াৰে ৰাজনৈতিক মহলত ব্যাপক আলোড়নৰ সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# যাঠী-জোং লৈ মাটি দখল অভিযান জি বিদাই

ভূমি বেদখলৰ অভিযোগ উত্থাপন হোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দা-যাঠি-জোং লৈ জি বিদাই বাহিনীয়ে সাধাৰণ লোকৰ মাটি দখল কৰি খেতি কৰাত আতংকিত হৈছে কেইবাটাও পৰিয়াল। বাক্সা জিলাৰ শালবাৰীৰ অক্সিগুৰিত সংঘটিত হৈছে এই ঘটনা। অক্সিগুৰিত সহজ-সৰল সাধাৰণ জনতাৰ মাটি বলপূৰ্বক দখল কৰাৰ অভিযোগ উঠিছে। জি বিদাইৰ নেতৃত্বত ৮ জনকৈ লোকে ৫১ বিঘা মাটি দখল কৰি কলগছৰ খেতি কৰিছে। যাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ দাখিল কৰাৰ পিছতো জি বিদাইৰ বিৰুদ্ধে মহকুমাধিপতি, ৰাজহ চক্ৰ বিষয়া আৰু আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাহস কৰা নাই বুলি কয় ৰাইজে। জানিব পৰা মতে, বিগত কিছু সময় ধৰি শালবাৰীৰ অক্সিগুৰিত এনডিএফবিৰ এটা দলে জধে-মধে মাটি দখল কৰে। দলটোৰ নেতৃত্বত আছে একালৰ দুৰ্ধৰ্ষ জি বিদাই। দলটোৱে মাটি চহাই, গাত খান্দিবলৈ আৰম্ভ কৰে। তাৰ পিছতে কলপুলি পোতে। ৰাইজে মাটি দখল কৰাত বাধা দিয়াত ভয়-ভাবুকি প্ৰদান কৰে। এটা পৰ্যায়লৈ ৰাইজে সকলো সহি গৈছিল যদিও অৱশেষত মুখ খুলিবলৈ বাধ্য হয়। অভিযোগ মতে, জি বিদাইৰ নেতৃত্বত ১১ জন লোকে ভয় ভাবুকিৰে মুঠ ৫১ বিঘাকৈ তপশীল বৰ্ণিত মাটি দখল কৰিছে। দখলকৃত সমুদায় মাটিত এতিয়া জি বিদাইৰ নেতৃত্বত কলগছৰ খেতি আৰম্ভ কৰা হৈছে। উল্লেখ্য যে বাক্সাৰ অক্সিগুৰি গাঁৱৰ জ্যোতিষ মুছাহাৰীসহ ৫ জন লোকৰ আৰু চুবুৰীয়া লাৱদাংগুৰি গাঁৱত তিনিজনকৈ লোকৰ মাটি আছে। মানাহৰ কাষত লাগি থকা ৫১ বিঘাকৈ মাটি দহ বছৰৰ বাবে বন্ধকত বিচাৰিছিল জি বিদায়ে। মাটিখিনি মাটিৰ মালিকসকলে বন্ধকত দিবলৈ মান্তি নোহোৱাত আজিৰ পৰা প্ৰায় দুমাহ পূৰ্বে হাতে হাতে লাঠী, জোং লৈ জি বিদাইৰ নেতৃত্বত ১১ জনকৈ লোকে মাটি দখল কৰে। মাটি দখল কৰাত বাধা দিছিল যদিও হত্যাৰ ভাবুকি প্ৰদান কৰে। বলপূৰ্বক মাটি দখল কৰি ট্ৰেক্টৰেৰে হাল বাই কলৰ খেতি আৰম্ভ কৰে। এই সংক্ৰান্তত ইতিমধ্যে শালবাৰী মহকুমাধিপতি, জালাহ ৰাজহ চক্ৰ বিষয়া, স্থানীয় আৰক্ষীক মাটিৰ মালিকসকলে অভিযোগ দাখিল কৰিছে। মাটিৰ মালিকে মাটি মোকলাই দিবৰ বাবে লিখিত অভিযোগ দাখিল কৰিছে যদিও অদ্যাপি কোনো সঁহাৰি লাভ নকৰাত সংবাদ মাধ্যমৰ জৰিয়তে চৰকাৰৰ দৃষ্টিগোচৰ কৰে। তপশীল বৰ্ণিত মুঠ ৫১ বিঘাকৈ মাটি পুনৰ প্ৰকৃত মালিকক দখল দিবলৈ কাতৰ আহ্বান জনাইছে। ভুক্তভোগীয়ে সংবাদ মাধ্যমৰ কাষ চপাত আজি জি বিদাই বাহিনীয়ে সংবাদমেল পাতি মাটি দখল কৰাৰ কথা অস্বীকাৰ কৰে। জি বিদাইৰ বাসগৃহত সংবাদমেল সম্বোধন কৰি বলপূৰ্বক মাটি দখল কৰাৰ অভিযোগ নস্যাৎ কৰে। জি বিদায়ে জ্যোতিষ মুছাহাৰীসহ ৫ জন লোকৰ আৰু চুবুৰীয়া লাৱদাংগুৰি গাঁৱৰ মাটি দখল কৰা নাই বুলি স্পষ্টীকৰণ দি কেইজনমান লোকক মিডিয়াৰ সন্মুখলৈ আনে। সেই মাটিখিনি মিডিয়াৰ সন্মুখলৈ অনা যতীন মুছাহাৰী, যোগেন মুছাহাৰী, ৰামচন্দ্ৰ মুছাহাৰী, ছিংৰা মুছাহাৰী, থুলুংগা মুছাহাৰী, ৰত্নেশ্বৰ মুছাহাৰীৰ বুলি দাবী কৰে। জি বিদায়ে কোনো জ্যোতিষ মুছাহাৰীৰ মাটি বলপূৰ্বক দখল কৰা নাই বুলি স্পষ্ট কৰাৰ লগতে বৰঞ্চ আমাৰ মাটি ঠিকাত লৈ কলগছৰ খেতি আৰম্ভ কৰিছে বুলি কয়। জ্যোতিষ মুছাহাৰীয়ে মিছাৰ আশ্ৰয় লৈ শান্তি বিচাৰি পোৱা জি বিদায়ক অশান্তি দিব বিচাৰিছে বুলি মন্তব্য প্ৰদান। জ্যোতিষ মুছাহাৰী মাটি কিনিছিল যদিও সেই মাটি ক'ত আছে নাজানো। কিন্তু কলৰ খেতি কৰা মাটি জ্যোতিষ মুছাহাৰীৰ নহয় বুলি স্পষ্টভাৱে সংবাদমেলত উল্লেখ কৰে। এতিয়া প্ৰশ্ন হয় জি বিদায়ে কলৰ খেতি কৰা মাটি যদি আজি মিডিয়াৰ সন্মুখলৈ অহা যতীন মুছাহাৰীহঁতৰে হয় তেন্তে জ্যোতিষ মুছাহাৰীৰ লগতে আন ৫ জনকৈ লোকৰ ৫১ বিঘা মাটি ক’লৈ গ’ল? বাৰে বাৰে জালাহ ৰাজহ চক্ৰ বিষয়াৰ কাষ চপা জ্যোতিষ মুছাহাৰীসহ আন ৫ জনৰ মাটি বিচাৰি দিব পাৰিবনে ৰাজহ বিভাগে?

প্ৰথম পৃষ্ঠাৰ পৰা...

# ’বিশ্বনাথক উপহাৰ মুখ্যমন্ত্ৰীৰ

ভ্ৰমণ কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। প্ৰায় ১২৬ কোটি টকা ব্যয়সাপেক্ষে পৰিবহণ, স্বাস্থ্য, পৰ্যটন, আৱাসিক ব্যৱস্থা, উদ্যোগ প্ৰকল্প জিলাখনৰ বাবে উৎসৰ্গ কৰে। বিশ্বনাথ জিলাৰ নতুন আৱৰ্ত ভৱন, গহপুৰত জিএনএম স্কুল আৰু পেৰামেডিকেল ইনষ্টিটিউট ৰাইজলৈ উছৰ্গা কৰে। ১২.৯৮ কোটি টকা ব্যয়েৰে বিশ্বনাথত নিৰ্মাণ কৰিবলগীয়া অত্যাধুনিক আৱৰ্ত্ত ভৱনৰ শিলান্যাস কৰে। গহপুৰৰ বৰঙাবাৰীত ১১,৮৮,৭৭,১০০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা জিএনএম আৰু পেৰামেডিকেল শৈক্ষিক প্ৰতিষ্ঠান উদ্বোধন কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। উদ্বোধনৰ পিছতে এখন ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি হিমন্ত বিশ্ব শৰ্মাই কয় যে আগৰ চৰকাৰে কেৱল গুৱাহাটীৰ উন্নয়নত গুৰুত্ব দিছিল। বিজেপি চৰকাৰে ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নৰ কথা চিন্তা কৰে। বিজেপিৰ দিনত বিশ্বনাথ জিলাৰ অভুতপূৰ্ব উন্নয়ন হৈছে। চিকিৎসা মহাবিদ্যালয়, টানেল, বিশ্ববিদ্যালয়, জিএনএম স্কুল হৈছে। ছয়দুৱাৰ মহাবিদ্যালয়ে স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ স্বীকৃতি লাভ কৰিছে। হিমন্ত বিশ্ব শৰ্মাৰ পূৰ্বৰ চৰকাৰৰ দিনত উত্তৰ অসমক অৱহেলা কৰাৰ বুলি গুৰুতৰ অভিযোগ আনি কয় যে বিজেপিৰ দিনত উত্তৰ অসমত উন্নয়ন হৈছে। গুৱাহাটীৰ পৰা বিশ্বনাথ চাৰিআলিলৈ ৩ ঘণ্টা ৩০ মিনিটৰ পৰা ৪ ঘণ্টা ৩০ মিনিটৰ ভিতৰত পাব পৰাৰ যাতায়ত ব্যৱস্থা হৈছে। পূৰ্ব এই পৰিৱেশ নাছিল। সভাত শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত, স্বাস্থ্য মন্ত্ৰী অশোক সিংহল, পৰিবহন মন্ত্ৰী যোগেন মহন, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাৰ, পৰিবহন নিগমৰ অধ্যক্ষ পল্লৱলোচন

# একশৰণ ভাগৱতী সমাজৰ বটদ্ৰৱা আঞ্চলিক সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণি

**ই-সংবাদ, বেৰেজীয়া, ৩১ মাৰ্চঃ** নগাঁও জিলাৰ বেৰেজীয়াৰ সমীপৰ জাজৰি বগৰিগুৰি বৰনামঘৰ প্ৰাংগণত তিনিদিনীয়াকৈ আয়োজিত একশৰণ ভাগৱতী সমাজ, অসমৰ বটদ্ৰৱা আঞ্চলিক শাখাৰ ৪৪ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখনিৰ দেওবাৰে সামৰণি পৰিছে। প্ৰথম দিনা পুৱা প্ৰাতঃপ্ৰসংগৰে অধিৱেশনৰ কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে ভকত আদৰণি আৰু ধৰ্মধ্বজা উত্তোলনৰ অন্তত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে নগাঁও জিলা একশৰণ ভাগৱতী সমাজৰ নামাচাৰ্য প্ৰবীণ আতায়ে। দুপৰীয়া নাম-প্ৰসংগৰ পিছতে বিয়লি ১ বজাৰপৰা অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত অনন্ত কুমাৰ বৰদলৈক সভাপতি আৰু ভুপেন চন্দ্ৰ দাসক সম্পাদক দিচাপে মনোনীত কৰি পৰৱৰ্তী দুবছৰৰ বাবে একশৰণ ভাগৱতী সমাজৰ বটদ্ৰৱা আঞ্চলিক সমিতিখন গঠন কৰা হয়। সন্ধিয়া নগাঁও-বটদ্ৰৱা বিধান সভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত হৈ ভক্তিপ্ৰাণ ৰাইজক সাক্ষাৎ কৰে। দ্বিতীয় দিনা পুৱাৰেপৰা একাদিক্ৰমে প্ৰাতঃপ্ৰসংগ, পৰিৱেশ নিকাকৰণ, ভকত আদৰণি, তৰুণ বিদ্যাৰ্থী সমাজৰ প্ৰাৰ্থনা সভা, খোল-প্ৰসংগ আৰু মধ্যাহ্ন প্ৰসংগৰ অন্তত বিয়লি ধৰ্মালোচনা-সভা অনুষ্ঠিত হয়। নগাঁও জিলা ভাগৱতী সমাজৰ সভাপতি ভুবনেশ্বৰ দাসে উদ্বোধন কৰা ধৰ্মালোচনা সভাখনি সঞ্চালনা কৰে উপাচাৰ্য বালিৰাম আতায়ে। শৰণাচাৰ্য মুহিধৰ আতাই আচাৰ্য প্ৰণাম অনুষ্ঠানটি পৰিচালনা কৰা সভাখনৰ আৰম্ভণিতে এটি মাধৱদেৱ বিৰচিত বৰগীত কেইবাগৰাকী যুৱতীয়ে পৰিৱেশন কৰে। সভাত একশৰণ ভাগৱতী সমাজৰ অধ্যক্ষ প্ৰতাপ চন্দ্ৰ মেধিয়ে নিৰ্দ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে একশৰণ হৰি নামধৰ্ম প্ৰচাৰৰ যোগেদি দলিত, শোষিত, নিষ্পেষিত লোকসকলক উদ্ধাৰৰ পথ দি গৈছে। এয়া অসমৰে নহয় বিশ্ব ইতিহাসৰ অন্যতম অধ্যায়। তেওঁ লগতে একশৰণ ভাগৱতী সমাজৰ কৰ্ম আৰু আদৰ্শৰ সন্দৰ্ভত বক্তব্য দাঙি ধৰি কয় যে গুৰুজনাৰ একেই আদৰ্শৰে, একেই পন্থৰে গৈ অসমৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোকে একতাৰ ডোলেৰে বান্ধি আচাৰ্য ইলাৰাম দাসে একশৰণ ভাগৱতী সমাজ সৃষ্টি কৰি মানুহৰ মুকুতিৰ সুগম পথ দেখুৱাইছিল। তেখেতৰ দৰ্শন, তেখেতৰ পাণ্ডিত্য গুৰুজনাৰ মহাজাতি গঠন প্ৰক্ৰিয়াৰ লগত মিলি আছিল। ধৰ্মালোচনা সভাৰ সামৰণিৰ পিছতেই একশৰণ ভাগৱতী সমাজৰ পাৰমাৰ্থিক সন্মিলনৰ সদস্য খগেন আতাৰ পৰিচালনাত পৰিৱেশিত গুণমালা, কীৰ্তন আৰু খোল-প্ৰসংগ সম্পন্ন হয়। নিশা অগণন ভকত-বৈষ্ণৱ আৰু আইমাতৃৰ উপস্থিতিত মহাপালনাম কীৰ্তন আৰম্ভ হয়। ওৰেনিশা চলি থকা এই মহাপালনাম কীৰ্তনৰ পিছদিনা পুৱা সামৰণি পৰাৰ পিছতে কৃপা প্ৰাৰ্থনা অনুষ্ঠিত কৰা হয়। বিয়লি স্থানীয় অঞ্চলৰ মাজেৰে ভাগৱত ভ্ৰমণ কৰোৱাৰ লগতে ধৰ্মধ্বজা অৱতৰণৰ দ্বাৰা উক্ত অধিৱেশনখনিৰ সামৰণি পেলোৱা হয়।

# কোকৰাঝাৰত পথ দুৰ্ঘটনাত যুৱতী নিহত, আহত ২

**ই-সংবাদ, কোকৰাঝাৰ, ৩১ মাৰ্চঃ** ঈদৰ আনন্দ-উল্লাসৰ মাজতে আজি কোকৰাঝাৰত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। কোকৰাঝাৰ জিলাৰ ছালাকাটিৰ দলোগাঁৱত সংঘটিত হোৱা ভয়ংকৰ দুৰ্ঘটনাৰ ফলত আৰোহী তথা শিলকাতাৰী দ্বিতীয় খণ্ডৰ হাছিনা খাতুন (১৬) নামৰ যুৱতীগৰাকী থিতাতে নিহত হোৱাৰ লগতে ঢোলমাৰা গাঁৱৰ য়ছমিনা খাতুন (১৭) নামৰ আন এগৰাকী যুৱতীও গুৰুতৰভাৱে আহত হয়। আনহাতে, বাইকখনৰ চালক হেকাইপাৰাৰ ৰিয়াজুল মিঞা (১৯)ও আহত হোৱা বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি



অনুসৰি ৰিয়াজুল মিঞাই তেওঁৰ বান্ধৱী য়ছমিনা খাতুন আৰু হাছিনা খাতুনক এখন প্লেমাৰ মটৰ চাইকেলত উঠাই ফুৰাবলৈ নিয়ে। দলোগাঁৱত তীব্ৰবেগী মটৰচাইকেলখনে এটা কেকুঁৰি ঘূৰোতেই নিয়ন্ত্ৰণ হেৰুৱাই গছত খুন্দা মাৰি খেতিপথাৰত বাগৰি পৰে। উক্ত ভয়াৱহ দুৰ্ঘটনাৰ ফলত হাছিনা খাতুন ঘটনাস্থলীতে নিহত হয় আৰু য়ছমিনা খাতুনে গুৰুতৰভাৱে আঘাত পায়। ছালাকাটি আৰক্ষীয়ে আহত দুয়োগৰাকীকে চিকিৎসালয়লৈ প্ৰেৰণ কৰাত ইয়াৰে গুৰুতৰভাৱে আহত য়ছমিনা খাতুনক উন্নত চিকিৎসাৰ বাবে চিকিৎসকে জিএমচিএইচ লৈ প্ৰেৰণ কৰে। উল্লেখ্য যে য়ছমিনা খাতুন সম্প্ৰতি জীৱন মৃত্যুৰ সতে যুঁজি আছে। ঈদৰ মাজতে এনে শোকাৱহ ঘটনা সংঘটিত হোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে ।

## সৰভোগৰ চকচকা উন্নয়ন খণ্ডৰ প্ৰৱেশ তোৰণ উদ্বোধন কৰি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ মন্তব্য

# দুই-এদিনতে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হ'ব

**ই-সংবাদ, বৰপেটাৰোড, ৩১ মাৰ্চঃ** সৰভোগৰ চকচকা উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ নৱনিৰ্মিত প্ৰৱেশ তোৰণ আজি উদ্বোধন কৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত ২০২২-২৩ বৰ্ষৰ পি এইচ পুঁজিৰে প্ৰায় ১৬ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা খণ্ড উন্নয়ন কাৰ্যালয়ৰ চৌহদৰ বেৰ আৰু প্ৰৱেশ তোৰণ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। উদ্বোধনী অনুষ্ঠানত বৰপেটা জিলা কাৰ্যবাহী বিষয়া দিগন্ত বৈশ্য, বৰনগৰ ৰাজহ চক্ৰৰ বিষয়া নিৰ্মলজ্যোতি শৰ্মা, চকচকা খণ্ড উন্নয়ন বিষয়া গৌতমলাল মজুমদাৰ, বৰপেটা নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ মহেন্দ্ৰ দাস, প্ৰাক্তন সভাপতি মিজানুৰ ৰহমান, অজয় কুমাৰ দাসকে ধৰি বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। কেবিনেট মন্ত্ৰী ৰণজিৎ দাসে সংবাদ মাধ্যমৰ আগত কয় যে আগন্তুক পঞ্চায়ত নিৰ্বাচন যিহেতু সমাগত সেইবাবে গ্ৰাম্য ৰাইজক সকাহ দিয়াৰ বাবে গাঁৱৰ বজাৰসমূহত খাজনা ৰেহাই দিয়াৰ কেবিনেটত অনুমোদন হৈছে। গ্ৰামাঞ্চলৰ হাট-বজাৰসমূহত অহা পঞ্চায়ত বৰ্ষ ১ জুলাইৰপৰা ক্ষুদ্ৰ কৃষকসকলে খাজনা দিব নালাগে বুলি ঘোষণা কৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰীগৰাকীয়ে। কৃষকৰ উৎপাদিত শস্য আৰু দুগ্ধজাত সামগ্ৰী বিক্ৰী কৰোঁতে খাজনা দিব নালাগে বুলি উল্লেখ কৰাৰ লগতে যিসকল ব্যৱসায়ীয়ে শাক-পাচলিৰ ব্যৱসায় কৰে তেওঁলোকে খাজনা দিব লাগিব বুলি কয়। ইপিনে, আগন্তুক পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে অগপৰ সৈতে মিত্ৰতাৰে নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ কথাও সদৰি কৰে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। পঞ্চায়ত নিৰ্বাচনত কোনকেইটা জিলা পৰিষদ, আঞ্চলিক পঞ্চায়তত খেলিব তাৰবাবে অগপৰ এজন জ্যেষ্ঠ নেতা আৰু বিজেপিৰ এজন জ্যেষ্ঠ নেতাই আলোচনা কৰি সিদ্ধান্ত লব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# পথ দুৰ্ঘটনাত নিহত তিনি যুৱকৰ ঘৰত বিধায়ক আছিফ

**ই-সংবাদ, মৈৰাবাৰী, ৩১ মাৰ্চঃ** ঈদৰ প্ৰাকমুহূৰ্তত মৰিগাঁও জিলাৰ মৈৰাবাৰী-বৰথল দলৈগাঁৱৰ তিনিজনকৈ যুৱকে গুৱাহাটীত এটি পথ দুৰ্ঘটনাত অকাল মৃত্যুক সাৱটিবলগা হৈছিল। সোমবাৰে মৈৰাবাৰী শ্বাহী ঈদগাহ মৈদামত পোন্ধৰ হাজাৰৰো অধিক লোকৰ সমাগমত পুৱা ৯.৩০ বজাত ঈদৰ নামাজৰ অন্তত স্থানীয় বিধায়ক আছিফ মুহম্মদ নাজাৰে ঈদৰ নামাজৰ অন্তত দুৰ্ঘটনাত মৃত্যু হোৱা তিনি মৃতকৰ ঘৰত উপস্থিত হয়। যুৱ ব্যৱসায়ী শ্বৰীফুল ইছলামৰ বাহগৃহত নেতাজন উপস্থিত হৈ দুৰ্ভগীয়া মৃতক শ্বৰীফুলৰ পিতৃ-মাতৃ, পত্নী আৰু সন্তান তথা পৰিয়ালৰ লোকৰ বুজ লয়। বিধায়কগৰাকীৰ লগত সংগ দিয়ে মৰিগাঁও জিলা যুৱ কংগ্ৰেছৰ উপ-সভাপতি আশ্বিক মীৰ, অৱসৰপ্ৰাপ্ত শিক্ষক হিফজুৰ ৰহমান খান,



কুটুবউদ্দীন মীৰ, উদীয়মান যুৱক ক্ৰমে ৰুৱেল আলম, আয়ুব আলী, মুন্নাকে আদি কৰি অঞ্চলটোৰ কেইবাজনো গণ্যমান্য ব্যক্তিয়ে। বিধায়কগৰাকীয়ে মৃত যুৱকজনৰ পৰিয়ালক সমবেদনা জ্ঞাপন কৰি কয় যে একেটা পৰিয়ালৰ তিনিজনকৈ যুৱ ব্যৱসায়ীৰ এনে অকাল মৃত্যুত মৈৰাবাৰী অঞ্চলৰ বাবে এক বৃহৎ ক্ষতি হৈছে।

# বটদ্ৰৱাত ৰঙালী বিহুৰ কাৰ্যালয় মুকলি

**ই-সংবাদ, বেবেজীয়া, ৩১ মাৰ্চঃ** নগাঁও জিলাৰ বটদ্ৰৱাৰ ঐতিহ্যমণ্ডিত শান্তিজানৰ পাৰত দেওবাৰে নিশা বটদ্ৰৱা কেন্দ্ৰীয় ৰঙালী বিহুৰ ৰূপালী জয়ন্তী উৎসৱৰ কাৰ্যালয় মুকলি কৰা হয়। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত কাৰ্যালয়টি আনুষ্ঠানিকভাৱে মুকলি কৰে বিশিষ্ট সমাজকৰ্মী, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক ড° প্ৰদীপ কুমাৰ দেৱমহন্তয়ে। লগতে বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ নাগৰিক হিমেশ্বৰ দাসে। এইমৰ্মে বটদ্ৰৱা কেন্দ্ৰীয় ৰঙালী বিহু উদযাপন সমিতিৰ সভাপতি জয়ন্ত হাজৰিকাৰ অনুষ্ঠিত হোৱা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি জোনমণি ভুঞাই। উদযাপন সমিতিৰ সম্পাদক সুনিল বৰুৱাই আঁতধৰা সভাখনিত আগন্তুক কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱটি ৰূপালী জয়ন্তী হিচাপে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে বটদ্ৰৱাৰ ঐতিহ্যমণ্ডিত সতী ৰাধিকা স্মৃতিক্ষেত্ৰৰ নৈসৰ্গিক পৰিৱেশত উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি দুয়োদিনৰ কাৰ্যসূচীৰ ভিতৰত সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা, সদৌ অসম ভিত্তিত কুইজ প্ৰতিযোগিতা, পৰম্পৰাগত খেল-ধেমালী, পিঠা-পনা প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ লগতে আমন্ত্ৰিত শিল্পীৰ গীতৰ অনুষ্ঠান, জনগোষ্ঠীয় লোকনৃত্য আদি অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বিষদভাৱে আলোচনা কৰা হয়।

## উখল-মাখল পৰিৱেশ

# একেৰাহে চতুৰ্থবাৰৰ বাবে এ-প্লাছ গ্ৰেড লাভ ন-সত্ৰ প্ৰাথমিক বিদ্যালয়ৰ

**ই-সংবাদ, বেবেজীয়া, ৩১ মাৰ্চঃ** নগাঁও জিলাৰ প্ৰাথমিক শিক্ষাৰ অন্যতম পুৰণি অগ্ৰণী শিক্ষানুষ্ঠান ৰাইদঙীয়াৰ ন-সত্ৰ প্ৰাথমিক বিদ্যালয়ে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা সদ্যঘোষিত ২০২৫ বৰ্ষৰ বিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ মান নিৰ্ণায়ক গুণোৎসৱৰ ফলাফলত পুনৰবাৰ জিলিকি উঠিবলৈ সক্ষম হৈছে। জিলাখনৰ খাগৰিজান শিক্ষাখণ্ডৰ অন্তৰ্গত তথা ১৯৫৬ চনতে স্থাপিত এই বিদ্যালয়খনে একেৰাহে চতুৰ্থবাৰৰ বাবে এ-প্লাছ গ্ৰেড লাভ কৰি স্থানীয় অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য, ৰাজ্যত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা গুণোৎসৱত এই বিদ্যালয়খনে সেই সময়ৰ প্ৰধান শিক্ষয়িত্ৰী অৰুণা হাজৰিকাৰ বিশেষ তৎপৰতাৰ বাবেই এ-প্লাছ গ্ৰেড লাভ কৰিছিল। অৱশ্যে ইয়াৰ পিছত অৰুণা হাজৰিকাই অৱসৰগ্ৰহণ কৰাত দ্বিতীয় বৰ্ষত বিদ্যালয়খনে এ গ্ৰেডহে লাভ কৰিছিল যদিও তাৰ পৰৱৰ্তী বৰ্ষৰপৰা ভৱেন্দ্ৰ নাথে প্ৰধান শিক্ষকৰ দায়িত্ব লোৱাৰে পৰা ধাৰাবাহিকভাৱে একেধাৰে এ-প্লাছ গ্ৰেড লাভ কৰি আহিছে। সেয়ে এই বিদ্যালয়খনে এনেদৰে গুণোৎসৱত সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হোৱাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক উৎফুল্লিত কৰি তুলিছে। প্ৰতিবছৰে ধাৰাবাহিকভাৱে শিক্ষাৰ ক্ষেত্ৰতো উন্নত ফলাফল প্ৰদৰ্শন কৰি অহা বিদ্যালয়খনৰ গুণোৎসৱৰ এনে ঈৰ্ষণীয় ফলাফলত স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰি ইয়াৰ বাবে বিদ্যালয়ৰ প্ৰধান শিক্ষক ভৱেন্দ্ৰ নাথৰ লগতে বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীক কৃতজ্ঞতা জনাইছে।

# তিব্বতী ধৰ্মগুৰু দালাই লামাক বিশেষ সন্মান

**ধৰ্মশালা, ৩১ মাৰ্চঃ** শান্তি আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা অসাধাৰণ অৱদানৰ বাবে বিশেষভাৱে সন্মানিত কৰা হ'ল তিব্বতী ধৰ্মগুৰু দালাই লামাক। সোমবাৰে হিমাচল প্ৰদেশৰ ধৰ্মশালাস্থিত তেওঁৰ বাসগৃহত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত ধৰ্মগুৰুগৰাকীক 'গ'ল্ড মাৰ্কিউৰি এৱাৰ্ড' প্ৰদান কৰা হয়। বিশ্বব্যাপী স্বীকৃতিপ্ৰাপ্ত থিংক টেংক আৰু আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থা গ'ল্ড মাৰ্কিউৰি ইণ্টাৰনেশ্যনেলে দালাই লামাক এই সন্মান প্ৰদান কৰে। সংস্থাটোৱে বিশ্ব শান্তি, সুশাসন আৰু বহনক্ষম উন্নয়নৰ প্ৰসাৰৰ বাবে কাম কৰে। গ'ল্ড মাৰ্কিউৰি ইণ্টাৰনেশ্যনেলৰ অধ্যক্ষ তথা প্ৰধান সচিব নিকোলাছ ডি ছান্টিছে ব্যক্তিগতভাৱে দালাই লামাক এই বঁটা প্ৰদান কৰে। ছান্টিছৰ মতে দালাই লামা দীৰ্ঘদিন ধৰি তিব্বতী জনসাধাৰণৰ অধিকাৰৰ অহিংস ৰক্ষাকাৰী আৰু বহনক্ষম উন্নয়নৰ বিশ্বব্যাপী কণ্ঠস্বৰ হিচাপে পৰিচিত। তেওঁ বহু আগতেই পৰিৱেশ সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সকীয়াই দিছিল, যেতিয়া জলবায়ু পৰিৱৰ্তন এতিয়াৰ দৰে সমগ্ৰ বিশ্বতে ডাঙৰ চিন্তাৰ বিষয় হৈ পৰা নাছিল। মূলতঃ ইটালীত স্থাপিত গ'ল্ড মাৰ্কিউৰি ইণ্টাৰনেশ্যনেল বঁটা এতিয়া বিশ্বজুৰি স্বীকৃতিপ্ৰাপ্ত সন্মান, যিটো শান্তি, সুশাসন আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদানৰ বাবে ব্যক্তি আৰু সংস্থাসমূহক প্ৰদান কৰা হয়। ভৱিষ্যৎ গঢ় দিয়াৰ ক্ষেত্ৰত সাহস আৰু সততা প্ৰদৰ্শন কৰা আদৰ্শ নেতাসকলক স্বীকৃতি দি ব্ৰাছেলছ, মস্কো, মাদ্ৰিদ, ৱাশ্বিংটন আদি ডাঙৰ চহৰত এই বঁটা প্ৰদান কৰা হৈছে। বৰ্তমান লণ্ডনত মুখ্য কাৰ্যালয় থকা গ'ল্ড মাৰ্কিউৰি ইণ্টাৰনেশ্যনেলে এডোৱাৰ্ডো ডি ছান্টিছৰ পুত্ৰ নিকোলাছ ডি ছান্টিছৰ নেতৃত্বত নিজৰ অভিযান আগবঢ়াই নিছে। বিশ্ব শান্তি আৰু বহনক্ষম উন্নয়নৰ প্ৰতি দীৰ্ঘদিনীয়া দায়বদ্ধতাৰ জৰিয়তে নৈতিক নেতৃত্ব আৰু সাৰ্বজনীন সম্প্ৰীতিৰ প্ৰতীক হিচাপে পৰিগণিত হোৱা দালাই লামা এই সন্মান লাভ কৰাসকলৰ ভিতৰত অন্যতম।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

# পুৰণিগুদামত ২৭ সংখ্যক সদৌ অসম শিশুনাট প্ৰতিযোগিতাৰ সামৰণি



**ই-সংবাদ, পুৰণিগুদাম, ৩১ মাৰ্চঃ** শিশুৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ লক্ষ্য আগত ৰাখি পুৰণিগুদামত আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হোৱা ২৭ সংখ্যক সদৌ অসম শিশু নাট প্ৰতিযোগিতাখনি যোৱানিশা সফল সমাপ্তি হয়। শিশুৰ স্ব-প্ৰতিভাৱে মুখৰিত ঐতিহ্যমণ্ডিত পুৰণিগুদামস্থিত ড° ভবেন্দ্ৰনাথ শইকীয়া ৰাজহুৱা প্ৰেক্ষাগৃহত ৰাজ্যৰ মুঠ ১৪ টি আগশাৰীৰ শিশু নাট্যদলে অংশগ্ৰহণ কৰাৰ প্ৰতিযোগিতাখনিত গোলাঘাট জিলাৰ দেৰগাঁৱৰ দাধৰা ৰূপজ্যোতি মইনা পাৰিজাতে প্ৰথম শ্ৰেষ্ঠ নাট্যদলৰ সন্মান পাবলৈ সক্ষম হয়। নাটক আমি মানুহ নহওঁ। দলটিয়ে শ্ৰেষ্ঠ নাট্য দলৰ সন্মান প্ৰাপ্তিৰ লগতে নৱনিশা বৰাই লাজুকী বান্দৰৰ চৰিত্ৰাভিনয় কৰি শ্ৰেষ্ঠ অভিনেত্ৰী, মিতালী বৰঠাকুৰে শ্ৰেষ্ঠ নাট্যকাৰ আৰু নিলোৎপল বৰাই শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ উদ্যোগত আয়োজিত ২৭ সংখ্যক সদৌ অসম শিশুনাট প্ৰতিযোগিতাৰ ফলাফল অনুসৰি, দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল নৱসৃষ্টি, পুৰণিগুদাম, নাটক- বিলাতলৈ যাব বুবু আৰু দিপালী, তৃতীয় শ্ৰেষ্ঠ নাট্যদল শংকৰদেৱ বিদ্যানিকেতন, পুৰণিগুদাম, নাটক- হৰেনৰ হুঁচৰি, চতুৰ্থ নাট্যদল ড'ল্যান্ট একাডেমী, বৰপথাৰ, লক্ষীমপুৰ, নাটক- অসমৰ সোণৰ চেকুৰা, শ্ৰেষ্ঠ অভিনেতা, প্ৰিয়াংকু শইকীয়া, নাট্যদল- নৱসৃষ্টি, পুৰণিগুদাম, নাটক- বিলাতলৈ যাব বুবু আৰু দিপালী, শ্ৰেষ্ঠ সহঃ অভিনেতা, ৰিতৰিপদ দাস, নাট্যদল- নৱ সুৰুজ শিশু নাট কলা, তেজপুৰ, নাটক- ওমলা শিশুৰ ভাত, শ্ৰেষ্ঠ সহঃ অভিনেত্ৰী, গায়ত্ৰী কলিতা, নাট্যদল- ঐকান্তিক সাংস্কৃতিক গোষ্ঠী, নগাঁও, নাটক- ধৰাৰ আকল্প, শ্ৰেষ্ঠ কৌতুক অভিনেতা, ৰক্তিম নাথ, নাট্যদল- সন্ধান, বকলীয়াঘাট, কাৰ্বি আংলং, নাটক- ভপা টেকেলী। প্ৰতিযোগিতাখনিত বিচাৰকৰ বিশেষ বঁটা লাভ কৰিছে ক্ৰমে অনুৰাগ বৰা, নাট্যদল, ঐকান্তিক সাংস্কৃতিক গোষ্ঠী, নগাঁও, নাটক- ধৰাৰ আকল্প আৰু জিলিঙনি জিউ, নাট্যদল, সন্ধান, বকলীয়াঘাট, কাৰ্বি আংলং, নাটক- ভপা টেকেলী। প্ৰতিযোগিতাখনিত বিচাৰক হিচাপে উপস্থিত আছিল ক্ৰমে নাট্যকাৰ, পৰিচালক ভুপেন্দ্ৰ নাথ হাজৰিকা, আশোক কুমাৰ সিং আৰু অমিতাভ কলিতা। অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ উদ্যোগত ৩০ মাৰ্চত দিনজোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত হোৱা ২৭ সংখ্যক সদৌ অসম শিশুনাট প্ৰতিযোগিতাৰ কাৰ্য্যসূচী অনুসৰি পুৱা ৯.৩০ বজাত স্বৰ্গীয় লৰদেৱ গোস্বামী স্মৃতি তোৰণ উন্মোচন কৰা হয়। অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ প্ৰাক্তন সম্পাদক, সাংবাদিক নীলৰঞ্জন শৰ্মাই আঁতধৰা স্বৰ্গীয় লৰদেৱ গোস্বামী স্মৃতি তোৰণ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকি তোৰণ উন্মোচন কৰে শিক্ষাবিদ, অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ প্ৰাক্তন সভাপতি তথা লাইআটি সত্ৰৰ সত্ৰাধিকাৰ যুগল চন্দ্ৰ দেৱ গোস্বামীয়ে। ইয়াৰ পাছতে পুৱা ৯.৪৫ বজাত ২৭ সংখ্যক সদৌ অসম শিশু নাট প্ৰতিযোগিতা উপলক্ষে ২৭ খন পতাকা উত্তোলন কৰা হয়। প্ৰতিযোগিতাৰ মূল পতাকা উত্তোলক কৰে চামগুৰি সমষ্টিৰ বিধায়ক তথা ২৭ সংখ্যক সদৌ অসম শিশু নাট প্ৰতিযোগিতা উদ্‌যাপন সমিতিৰ সভাপতি দিপ্লুৰঞ্জন শৰ্মাই। সমান্তৰালভাৱে অসম নাট্য সন্মিলনৰ উপ-সভাপতি অৰূপ বৰঠাকুৰ, শিল্পী পেঞ্চনাৰ কানু গোস্বামী, অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ সভাপতি ৰঞ্জন তামুলীসহ বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ অন্যান্য পতাকা উত্তোলক অগ্ৰণী মহিলাসকল ক্ৰমে পাৰুল গায়ন, দিপ্তী বৈৰাগী, মণিকা গোস্বামী, কল্পনা শৰ্মা, ৰুবী গোস্বামী, মিনু বৰা শইকীয়া, শিখা ভট্টাচাৰ্য, পোনা ডেকা, প্ৰণতি ভূঞা, পূৰৱী শইকীয়া, মাধন ভূঞা, ভাৰতী বৰা, শেৱালি বৰুৱা, মামণি শইকীয়া, মিনা সিংহা, শেৱালি বৰদলৈ, ৰূপামণি গায়ন, মেঘালী দেৱী, বিজয়া তামুলি, প্ৰণামী কলিতা বৰা, বিনু বৰা, বিনু হাজৰিকা, কবিতা বৰা, মীনা শৰ্মা আৰু দিপীকা গায়ন। পুৱা ১০.১৫ বজাত বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্য অৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা জ্ঞাপন কৰে অসম নাট্য সন্মিলনৰ উপ-সভাপতি অৰূপ বৰঠাকুৰ আৰু শিল্পী পেঞ্চনাৰ কানু গোস্বামীয়ে। উক্ত দুয়োটা অনুষ্ঠান পৰিচালনা কৰে ২৭ সংখ্যক সদৌ অসম শিশু নাট প্ৰতিযোগিতা উদ্‌যাপন সমিতিৰ সম্পাদক পূৰ্ণানন্দ বাৰিকে। পুৱা ১০.৩০ বজাত স্মৰণীয় ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ এক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰে অসম নাট্য সন্মিলনৰ উপ-সভাপতি অৰূপ বৰঠাকুৰ, অসম নাট্য সন্মিলন, নগাঁও জিলাৰ সভাপতি-সম্পাদক ক্ৰমে মনোজ বৰদলৈ, জিতুমণি মহন্ত আৰু অসম নাট্য সন্মিলনৰ সহঃ সম্পাদক আৰু কাৰ্যালয় সম্পাদক ক্ৰমে সুৰজ শইকীয়া আৰু সুৰজ কুমাৰ বৰাই। পুৱা ১১ বজাত সম্বৰ্ধনা অনুষ্ঠান আৰু সতীৰ্থ সন্মিলন অনুষ্ঠিত হয়। লাইআটি সত্ৰৰ সত্ৰাধিকাৰ যুগল চন্দ্ৰ দেৱগোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত উক্ত অনুষ্ঠানতে অসম চৰকাৰৰ শিল্পীপেঞ্চনা দুগৰাকী ক্ৰমে কালীবাদক কলিৰাম বৰা আৰু পৰম্পৰাগত পুতলা নাচৰ শিল্পী উপেন শৰ্মাক সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ লগতে কামপীঠ মণ্ডলৰ নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ অভিনেতাৰ বঁটাপ্ৰাপক ৰিতুমণি শইকীয়া আৰু ৩৮ সংখ্যক আন্তঃবিশ্ববিদ্যালয় ৰাষ্ট্ৰীয় যুৱ মহোৎসৱত স্বৰবাদ্যত দ্বিতীয় স্থান প্ৰাপক বাঁহীবাদক দুৰ্বৰী শইকীয়াক অভিনন্দন জনোৱা হয়। কাজিৰঙা লোকসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাকে প্ৰমুখ কৰি বহুকেইগৰাকী গণ্যমান্য লোক উপস্থিত থাকি ভাষণ প্ৰদান কৰে। অনুষ্ঠানটি এটি বৰগীতেৰে শুভাৰম্ভ কৰে প্ৰজ্ঞান প্ৰীতম ভূঞাই। বিয়লি ১.৩০ বজাত সমাজকৰ্মী প্ৰয়াত ৰামনাথ চমুৱা আৰু কৃতী শিক্ষয়িত্ৰী সৰুমাই চমুৱা স্মৃতিমঞ্চত ২৭ সংখ্যক সদৌ অসম শিশু নাট প্ৰতিযোগিতাখনি শুভাৰম্ভ কৰা হয়। অনুষ্ঠানটি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে নাট্যশিল্পী যদুমণি গোস্বামীয়ে আৰু প্ৰতিযোগিতাৰ মঞ্চ উদ্বোধন কৰে বি কে বি মহাবিদ্যালয় পুৰণিগুদামৰ অধ্যক্ষ নৃপেন চন্দ্ৰ দাসে। প্ৰতিযোগিতাৰ অন্তত অন্তৰঙ্গ আলাপ আৰু বঁটা-বিতৰণী অনুষ্ঠান পৰিচালনা কৰে হিৰণ্য কুমাৰ চমুৱা আৰু বসন্ত কৌশিক ভাগৱতীয়ে। অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ সভাপতি, সম্পাদক ক্ৰমে ৰঞ্জন তামুলী আৰু ৰাণা ভূঞাই প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী শিশু নাট্যদলসমূহৰ লগতে উপস্থিত শ্ৰোতা-দৰ্শকমণ্ডলী আৰু সহায়-সহযোগিতাৰে কৃতাৰ্থ কৰাসকলক শলাগ জ্ঞাপন কৰে।

## টাইবান্ধত দুৰ্ঘটনাত আহত তিনি

# গোলকগঞ্জত নিশা বাইক দুৰ্ঘটনাত মেধাৱী ছাত্ৰৰ মৃত্যু

**ই-সংবাদ, গোলকগঞ্জ, ৩১ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত নান্দিনীপাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা ১২ বজাত বাইক দুৰ্ঘটনাত পূব ৰতিয়াদহৰ এগৰাকী মেধাৱী ছাত্ৰৰ মৃত্যুৰ বাতৰিয়ে সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। অপ্ৰত্যাশিত মৃত্যুক সাবটি লোৱা ছাত্ৰজন গাঁওখনৰ হিজিৰ আলী মণ্ডলৰ পুত্ৰ হাছেন আলী(১৯)। জানিব পৰা মতে, হিজিৰ আলীয়ে AS-17 M-1758 নম্বৰৰ হিৰো ছুপাৰ স্পেলেণ্ডাৰ বাইকেৰে দুই পুত্ৰ হাছেন আৰু হুছেইন আলীক লগত লৈ ধুবুৰী আত্মীয়ৰ ঘৰত গৈছিল। আত্মীয়ৰ ঘৰত ঈদৰ নিমন্ত্ৰণ দি তীব্ৰ বেগত ঘূৰি অহাৰ সময়ত নান্দিনীপাৰত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত বাগৰি পৰে। ফলত গুৰুতৰভাৱে আহত হয় দুই পুত্ৰ। গোলকগঞ্জ আৰক্ষীয়ে উদ্ধাৰ কৰি দুয়োকে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ প্ৰেৰণ কৰে। চিকিৎসাধীন অৱস্থাত হাছেনৰ মৃত্যু হয়। আনহাতে, হুছেইনৰ অৱস্থা সংকটজনক হোৱাত নিশাতে উন্নত চিকিৎসাৰ বাবে পশ্চিমবংগৰ কোচবিহাৰৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আজি মৰণোত্তৰ পৰীক্ষাৰ অন্তত বিয়লি নিজ গৃহত হাছেনৰ জানাজা সম্পন্ন হয়। হাছেন বিজ্ঞান শাখাৰ দ্বাদশ শ্ৰেণীৰ এগৰাকী মেধাৱী ছাত্ৰ আছিল। ইফালে, জিলাখনৰ টাইবান্ধৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথতো আজি বিয়লি আঢ়ৈ বজাত এল্টো বাহনৰ খুন্দাত তিনি বাইক আৰোহী আহত হয়। আহত কেইজন ক্ৰমে তামাৰহাট থানাৰ সাতসৰেয়া, ভাটিপেটলা মকবৰ আলী, গফ্ফুৰ আলী আৰু আবুল কালাম।

# অসম কুমাৰ সমাজৰ বসন্ত উৎসৱৰ সামৰণি

**ই-সংবাদ, হাওৰাঘাট, ৩১ মাৰ্চঃ** হাওৰাঘাট থানাৰ অন্তৰ্গত যমুনাপাগলাথান গাঁৱত আয়োজিত অসম কুমাৰ সমাজৰ কাৰ্বি আংলং জিলা  সমিতি আৰু হাওৰাঘাট আঞ্চলিক সমিতিৰ সু-ব্যৱস্থাপনাত এদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে মাহজোৰা বসন্ত উৎসৱৰ আজি সফল সামৰণি পৰে। এই উপলক্ষে পুৱাৰ ভাগত কুমাৰ সমাজৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পৰা আৰম্ভ কৰি কণ-কণ ল'ৰা-ছোৱালীৰ মাজত বিভিন্ন ধৰণৰ খেল-ধেমালি, নৃত্য-গীত-মাত, কুইজ প্ৰতিযোগিতা আদিৰ সমান্তৰালকৈ দিনৰ ২.০০ বজাত নিমন্ত্ৰিত অথিতিৰ উপস্থিতিত ফাকুৱা উৎসৱৰ মুকলি বিদায় সভা অনুষ্ঠিত হয়। কুমাৰ সমাজৰ সাঃ সম্পাদক তুলাৰাম কুমাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত মুখ্য অথিতি হিচাপে উপস্থিত থাকে অসম কুমাৰ সমাজ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাধেশ্যাম কুমাৰ, সাঃ সম্পাদক কপিল কুমাৰ, অসম কুমাৰ সমাজৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক মুখলাল কুমাৰ, নমাটি ভিডিচিৰ অধ্যক্ষ বৃটেন মহেলা, আমন্ত্ৰিত অথিতি হিচাপে অসম চাহ জনগোষ্ঠী জাতীয় সন্মিলনী, কে এ ডি চিৰ সাঃ সম্পাদক গণৰাম বেদিয়া, কোল সমাজ কেন্দ্ৰীয় সমিতিৰ সভাপতি গোপাল কোল, পণ্ডিতঘাট চৰকাৰী গাঁও বুঢ়া ধ্ৰুৱ পানিকা, কাৰ্বি আংলং গৌড় সমাজৰ সভাপতি ৰাজেন্দ্ৰ গৌড়, সমাজ সেৱক দি এমকে প্ৰমুখ্য কৰি বহু আমন্ত্ৰিত অতিথি। উক্ত সভাত পৰম্পৰাগতভাৱে কুমাৰ সমাজৰ ইতিবৃত্ত, ৰীতি-নীতি, সাজ-পাৰৰ বিষয়ে আলোকপাত কৰা হয়। আগন্তুক দিনত আদিবাসী জনগোষ্ঠীৰ প্ৰতিগৰাকী উঠি অহা যুৱক-যুৱতীয়ে কুমাৰ সমাজৰ মান-মৰ্যাদা অটুট ৰাখি সমাজত আগুৱাই যাবলৈ পৰামৰ্শ আগবঢ়ায় নিমন্ত্ৰিত অতিথিসকলে। সভাৰ শেষত অনুষ্ঠিত খেল-ধেমালি প্ৰতিযোগিতাত সফলতা অৰ্জন কৰা প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়।

# বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামৰ পাঁচোটাকৈ কামৰ শুভ উদ্বোধন

**ই-সংবাদ, কলগাছিয়া, ৩১ মাৰ্চঃ** বৰপেটা জিলাৰ নৱগঠিত মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ৪৫ নং সোণাপুৰ ৰুভী গাঁও পঞ্চায়ত আৰু ৮০ নং গোবিন্দপুৰ গাঁও পঞ্চায়তৰ এলেকাত একে দিনাই পাঁচোটাকৈ কামৰ শুভ উদ্বোধন কৰাক কেন্দ্ৰ কৰি দুয়োটা পঞ্চায়তৰ জনসাধাৰণৰ মাজত এক আনন্দৰ বন্যা বোৱা পৰিলক্ষিত হৈছে। জানিব পৰা মতে, পঞ্চদশ বিত্তীয় আয়োগৰ ২০২৩-২৪ বৰ্ষৰ আনটাইড গ্ৰাণ্টৰ ধনেৰে ৪৫ নং সোণাপুৰ ৰুভী গাঁও পঞ্চায়তৰ বাউণ্ডেৰী ৱাল, বালিকুৰি আৰক্ষী চকীৰ বাউণ্ডেৰী ৱাল আৰু বালিকুৰি অঙনাবাদী কেন্দ্ৰৰ মেৰামতি বাবদ তিনিটা উন্নয়নমূলক কামৰ শুভ উদ্বোধন কৰা হয়। ইপিনে, ৮০ নং গোবিন্দপুৰ গাওঁ পঞ্চায়তৰ এলেকাধীন ৮০২ নং আলিপুৰ প্ৰাথমিক বিদ্যালয়ৰ বাউণ্ডেৰী ৱাল আৰু ১২১৪ নং কৈমাৰী প্ৰাথমিক বিদ্যালয়ৰ বাউণ্ডেৰী ৱালৰ উদ্বোধন কৰে জনীয়াৰ বিধায়কগৰাকীয়ে। সোণাপুৰ ৰুভী গাঁও পঞ্চায়তৰ সন্মুখত অনুষ্ঠিত এই শুভ উদ্বোধনী সভাৰ সভাপতিৰ আসন অলংকৃত কৰে এ আই ইউ ডি এফ দলৰ কলগাছিয়া ব্লক কমিটীৰ সভাপতি খন্দকাৰ জাকিৰ হুছেইনে। সভাত বিধায়কগৰাকীৰ লগতে স্থানীয় বিভিন্ন সমস্যাৰ ওপৰত বক্তব্য আগবঢ়ায় বালিকুৰি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ আবু বক্কাৰ ছিদ্দিক, বিশিষ্ট সমাজ কৰ্মী নয়ান খাঁন, আৰু জনতা গ্লোৰিয়াছ একাডেমীৰ অধ্যক্ষ মফিজুৰ ৰহমান ভূঞাকে আদি কৰি ভিন্নজনে।

# সদৌ নাদুৱা কলা-কৃষ্টি সংঘৰ কাৰ্যালয়, তোৰণ মুকলি চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৩১ মাৰ্চঃ** চাবুৱাত ঐতিহাসিক অসম আন্দোলনৰ সময়ছোৱাত অসমীয়া সমাজখনক একত্ৰিত কৰাৰ মানসৰে তথা বৃহত্তৰ নাদুৱা অঞ্চলটোক সামৰি সদৌ নাদুৱা কলা-কৃষ্টি সমন্বয় সংঘ নামেৰে এটি অনুষ্ঠানৰ জন্ম হৈছিল। চৰকাৰী পঞ্জীয়নভুক্ত অনুষ্ঠানটো পুনৰুজ্জীৱিত কৰাৰ স্বাৰ্থত ২০০৭ চনত স্থানীয় দুগৰাকী সচেতন ব্যক্তি ক্ৰমে নিপুল কোঁৱৰক সভাপতি আৰু নিৰোদ গোহাঁইক (লুলু) সম্পাদক হিচাপে দায়িত্ব দিয়া হৈছিল। বিগত ৩টা বৰ্ষৰ দায়িত্ব শেষ হোৱাৰ পাছতো অনুষ্ঠানটিৰ দায়িত্ব ল'বলৈ কোনো ব্যক্তি আগবাঢ়ি নহাত আজিপৰ্যন্ত অঘোষিত সভাপতি/সম্পাদক হিচাপে দুয়োগৰাকী সচেতন ব্যক্তিয়ে নিষ্ঠা আৰু সততাৰে কৰ্মসমূহ কৰি গৈছে। অসমীয়া সমাজ তথা বৃহত্তৰ নাদুৱা অঞ্চলৰ অগ্ৰণী অনুষ্ঠানটি পুনৰ নিৰ্মাণ কৰিবলৈ চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ সদিচ্ছাত লাভ কৰা এককালীন সাহায্য পুঁজিৰে নিৰ্মাণ কৰা সমন্বয় সংঘটি ৩০ মাৰ্চত শুভ উদ্বোধন কৰা হয়। সদৌ নাদুৱা কলা-কৃষ্টি সমন্বয় সংঘৰ কাৰ্যালয়, তোৰণ, ফেন্সিং বেৰা ৰাইজৰ বাবে মুকলি কৰে চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই। বিধায়ক বৰুৱাই কাৰ্যালয়টি মুকলি কৰি কয় যে, ৰাইজৰ টকাৰ সঠিক আৰু সদ ব্যৱহাৰৰ এটা নিদৰ্শন হৈ ৰ'ব অসম চৰকাৰৰ আছুতীয়া পুঁজিৰ ৫ লাখ টকাৰ জৰিয়তে পুনৰ্নিৰ্মাণ কৰা 'সদৌ নাদুৱা কলা-কৃষ্টি সমন্বয় সংঘ'। ৩০ মাৰ্চত 'সদৌ নাদুৱা কলা-কৃষ্টি সমন্বয় সংঘ'ৰ গৃহ শুভ উদ্বোধন কৰি অভিভূত হৈ পৰো। মাত্ৰ পাঁচ লাখ টকাত টাইলচ লগোৱা, চৌহদৰ বেৰাৰ পৰা আদৰণি তোৰণ নিৰ্মাণ কৰালৈকে প্ৰতিটো কামত ৰাইজৰ শিল্পবোধৰ চানেকি বিৰাজমান। শ্ৰীশ্ৰী মায়ামৰা ধৰ্মৰ পৰম্পৰাগত নিয়মেৰে ভকত বৈষ্ণৱ সকলৰ সহযোগত সম্পন্ন হোৱা উদ্বোধনী অনুষ্ঠান বহু ক্ষেত্ৰতেই আছিল ব্যতিক্ৰম। যি কথাই মোক আনন্দৰ লগতে সন্তুষ্টি প্ৰদান কৰিছিল। সমন্বয় সংঘই অসমীয়া কলা-কৃষ্টিৰ চৰ্চা কৰি সংস্কৃতিৰ পথাৰখন চহকী কৰক আৰু অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম সমৃদ্ধশালী ৰাজ্য হিচাপে গঢ়ি উঠক।

# নগাঁৱত চিআৰপিএফৰ ক্ৰীড়া সামগ্ৰী বিতৰণ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৩১ মাৰ্চঃ** নগাঁৱৰ কাটিমাৰিস্থিত ৩৪ নং কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী চমুকৈ চি আৰ পি এফে নগাঁৱৰ অন্যতম অগ্ৰণী ক্ৰীড়া আৰু সামাজিক অনুষ্ঠান অম্লান গোষ্ঠীক ক্ৰীড়াৰ বিভিন্নধৰণৰ সা-সঁজুলি প্ৰদান কৰে। ৩৪ নং বেটেলিয়ন চি আৰ পি এফ নগাঁৱে আই জি হেড কোৱাৰ্টাৰ-যোৰহাট চেক্টৰৰ চিভিক একশ্যন প্ৰগেমৰ অধীনত বিতৰণ কৰা এই ক্ৰীড়া সা-সঁজুলিসমূহ যোৱা ২৮ মাৰ্চত নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত এক অনুষ্ঠানযোগে আগবঢ়াই। ৩৪ নং চি আৰ পি এফ বেটেলিয়নে বিগত সময়তো এনেধৰণৰ বিশেষ পদক্ষেপৰে সামাজিক কামকাজ কৰি অহাৰ বাবে ৰাইজৰ দ্বাৰা ভূয়সী প্ৰশংসিত হৈছে। এই ক্ৰীড়া আৰু ব্যায়ামাগাৰৰ সামগ্ৰীসমূহ প্ৰদান কাৰ্যসূচী উপলক্ষে আয়োজিত অনুষ্ঠানত চি আৰ পি এফ ৰ জ্যেষ্ঠ বিষয়া সত্যবীৰ আৰু ভিডেখ' কেইয়ি, নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাস, অসম জিমনাষ্টিকছ সন্থাৰ সাধাৰণ সম্পাদক তথা অম্লান গোষ্ঠীৰ সভাপতি উজ্জল বৰুৱা, অসম বাস্কেটবল সন্থাৰ সহকাৰী সম্পাদক দিগন্ত বৰা, অসম ৰেষ্টলিং সন্থাৰ সম্পাদক গৌৰাঙ্গ ৰয়, ক্ৰীড়া সংগঠক অনিল দাস, প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্য, সঞ্জয় কুমাৰ মাহাতু, গিৰিমা শইকীয়া আৰু মাধৱদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক বিজয়ানন্দ বৰা আদিৰ লগতে অম্লান গোষ্ঠীৰ বিষয়ববীয়া সদস্য-সদস্যাসকলৰ উপৰি ৩৪ নং চি আৰ পি এফ ৰ কেইবাগৰাকীও বিষয়া, জোৱানসকল তথা ভালেসংখ্যক খেলুৱৈ আৰু শুভাকাংক্ষী ৰাইজ উপস্থিত আছিল। উল্লেখ্য যে, বিভিন্ন ক্ৰীড়া আৰু ব্যায়ামাগাৰৰ সা-সঁজুলিসমূহৰ উপযুক্ত ব্যৱহাৰৰ জৰিয়তে অম্লান গোষ্ঠীৰ লগতে জিলাখনৰ উদীয়মান খেলুৱৈসকল যথেষ্টখিনি উপকৃত হ'ব বুলি অম্লান গোষ্ঠীৰ সভাপতি উজ্জল বৰুৱা আৰু ক্ৰীড়া সংগঠক দিগন্ত বৰাই আশা কৰিছে।



আইপিএল ২০২৫: গুৱাহাটীত ধোনীক সম্বৰ্ধনা বিচিচিআইৰ সচিব দেৱজিত শইকীয়াৰ



আইপিএল ২০২৫: কলকাতাৰ উইকেট দখলৰ পিছত অশ্বিনী কুমাৰক অভিনন্দন মুম্বাইৰ সূৰ্যকুমাৰ-হাৰ্দিকৰ

## 'যিজনে চৰকাৰৰ বিৰুদ্ধে ৰাজপথত নামিছিল, তেওঁকেই পুৰস্কাৰ!'

# বিনেশক চৰকাৰী সাহায্য প্ৰদানক লৈ অলিম্পিয়ানৰ আক্ষেপ

**চণ্ডীগড়, ৩১ মাৰ্চঃ** মল্লযুঁজৰ আংগন এৰি ৰাজনৈতিক ক্ষেত্ৰখনত প্ৰৱেশ কৰিছে বিনেশ ফ'গাটে। মল্লযুঁজৰ ক্ষেত্ৰখনত একাধিক সফলতা লাভ কৰাৰ পিছত এতিয়া তেও হৈ পৰিছে বিধায়িকা। এইবাৰ তেওঁক চৰকাৰী চাকৰি আৰু আৰ্থিক পুৰস্কাৰ দিছে হাৰিয়ানা চৰকাৰে। কিন্তু এই সিদ্ধান্তক লৈ বিতৰ্ক আৰম্ভ হৈছে। অলিম্পিকৰ পদক বিজয়ী মল্লযুঁজাৰু যোগেশ্বৰ দত্তই বিনেশক চৰকাৰী আৰ্থিক সাহায্য প্ৰদানক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে ৰাজপথত যিসকলৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল তেওঁলোকৰ পৰাই এতিয়া বঁটা লাভ কৰিছে বিনেশে। উল্লেখ্য যে, বিগত কেইমাহমানৰ পৰা বিনেশৰ জীৱনত অনেক উত্থান-পতনৰ সৃষ্টি হৈছে। তেওঁ অলিম্পিকৰ ফাইনেলত প্ৰৱেশ কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা মল্লযুঁজাৰু হিচাপে পৰিগণিত হয়। কিন্তু মাত্ৰ ১০০ গ্ৰাম অতিৰিক্ত ওজনৰ বাবে তেওঁ প্ৰতিযোগিতাৰ পৰা 'অযোগ্য' বিবেচিত হয়। তাৰ পিছত তেওঁ মল্লযুঁজৰ পৰা অৱসৰ লয়। কিন্তু যুঁজখন ইয়াতেই শেষ নহ'ল। ঝুলন সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী হিচাপে হাৰিয়ানা বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিজেপি প্ৰাৰ্থী যোগেশ কুমাৰক ৬০১৫ টা ভোটত পৰাস্ত কৰি বিধায়ক হয়। কিছুদিন পূৰ্বে তেওঁ মাতৃ হোৱাৰ কথাও ঘোষণা কৰিছে। এনে পৰিস্থিতিত হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নাইব ছাইনীয়ে ঘোষণা কৰে যে বিনেশ ফ'গাটক গ্ৰুপ-এ চাকৰি আৰু আৰ্থিক পুৰস্কাৰ দিয়া হ'ব। ইয়াৰ উপৰিও তেওঁ হাৰিয়ানা নগৰ উন্নয়ন কৰ্তৃপক্ষৰ পৰাও একাধিক সুবিধা লাভ কৰিব। মুখ্যমন্ত্ৰী ছাইনীয়ে কয়, "বিনেশ হাৰিয়ানাৰ গৌৰৱ। আমি কেতিয়াও তেওঁৰ সন্মানক কলংকিত হ'বলৈ নিদিওঁ। অলিম্পিকত ৰূপৰ পদক বিজয়ীসকলক দিয়া সকলো সুবিধা বিনেশকো দিয়া হ'ব।" অৱশ্যে তেওঁ স্পষ্টকৈ কয় যে বিনেশে চাকৰি, আৰ্থিক পুৰস্কাৰ আৰু অন্যান্য সুবিধাৰ মাজৰ পৰা এটা বাছি ল'ব লাগিব। এই সিদ্ধান্তক লৈ সৰৱ হৈ পৰিছে যোগেশ্বৰ দত্ত। তেওঁ নিজৰ এক্স হেণ্ডেলত চোকা কটুক্তিৰে লিখিছে, "সময় অতি শক্তিশালী। এদিন যিসকলে দম্ভৰে কৈছিল যে পুৰস্কাৰৰ ধন চৰকাৰৰ মুখত পেলাই দিম, আজি তেওঁলোকেই বিধানসভাত ধনৰ বাবে আবেদন জনাইছে।" প্ৰসংগক্ৰমে বিজেপিৰ সাংসদ তথা মল্লযুঁজ ফেডাৰেচনৰ প্ৰাক্তন সভাপতি বৃজভূষণ চৰণ সিঙৰ বিৰুদ্ধে প্ৰতিবাদৰ অন্যতম মূল চেহেৰা আছিল বিনেশ। তেওঁ ঘোষণা কৰিছিল যে তেওঁ নিজৰ পদক গংগাৰ পানীত বিসৰ্জন দিব। আৰু আজি তেওঁ সেই বিজেপি চৰকাৰৰ পৰা একাধিক চৰকাৰী সুবিধা লাভ কৰিছে। যিটোক লৈ ক্ৰীড়া সমাজত প্ৰশ্ন উত্থাপন হৈছে।

# নগাঁৱত আজিৰ পৰা আন্তঃজিলা ক্ৰিকেটৰ চেণ্ট্ৰেল অসম মণ্ডলৰ খেল আৰম্ভ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৩১ মাৰ্চঃ** এচিএ ক্ৰিকেট একাডেমীৰ সৌজন্যত কাইলৈৰ পৰা নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত দ্বিতীয় পুলিন দাস অনূৰ্ধ্ব-১৪ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা'২০২৫ ৰ চেণ্ট্ৰেল অসম মণ্ডলৰ গ্ৰুপ- "বি"ৰ খেলসমূহ অনুষ্ঠিত হ'ব। গ্ৰুপ- "বি"ত থকা দলকেইটা হ'ল- বোকাখাট, হোজাই, কলিয়াবৰ আৰু নগাঁও জিলা দল। চেণ্ট্ৰেল অসম মণ্ডলৰ গ্ৰুপ- "বি"ৰ কাইলৈৰ খেলত বোকাখাটে হোজাই দলৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। উল্লেখিত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া নগাঁও জিলা দলটোৰ খেলুৱৈসকল হ'ল- মানস জ্যোতি কুমাৰ (অধিনায়ক), উন্নত গোস্বামী (উপ অধিনায়ক), প্ৰিয়ম কুণ্ডু, আয়ন আৰ্জু (উইকেটৰক্ষক), গৌৰৱ দাস, অভিজ্ঞান সিং, ৰবিনন্দন প্ৰতিম, মহচিন আখটাৰ ৰহমান, অংশুমান সাহানী, প্ৰিতম দেৱনাথ, তন্ময় দাস, উৎকৰ্ষ মল্লিক (উইকেটৰক্ষক), পাৰ্থিৱ পাপন তামুলী, কৃষ্ণ শ্বাহ, হিমাংশু মহন্ত আৰু প্ৰিয়ানুজ পাঠক। মৃনাল হাজৰিকাই জনোৱামতে, নগাঁও দলটোৰ সৈতে দেৱজিৎ দাস প্ৰশিক্ষক তথা মেনেজাৰৰূপে আছে। এই দলটোৰ ষ্টেণ্ড বাই খেলুৱৈসকল হ'ল- হিমাংশু ভূঞা, নয়ন ভৌমিক, সন্দীপ মেধি, আৰ্টিয়া অন্ময় হাজৰিকা, পাৰ্ভেজ আহমেদ আৰু মোজাহিদুল ইছলাম।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি